Sacn to Donate
NEWSNEXTONE.COM

# www.newsnextone.com
# e সংবাদ

ROYAL CONSTRUCTION
MANUFACTURER OF
CEMENT BRICK, PAVER BLOCK,
COLOR PAVER BLOCK,
CEMENT TILES
FACTORY ADDRESS
TITKURI, KAMARGAON, RANGIA, KAMRUP(R)
CALL: +91 88 76 99 50 95, +91 99 57 41 80 39

TUESDAY, DECEMBER 17, 2024 ■ মঙলবাৰ, ১ পুহ, ১৯৪৬ শকাব্দ ■ www.newsnextone.comৰ অনলাইন দৈনিক ■ প্ৰথম বছৰ, সংখ্যা ৩৪৪ Guwahati, Assam ।। মূল্যঃ এটকা

## তিনি দিনৰ বাবে ভূটান পালে মুখ্যমন্ত্ৰী




ই-সংবাদ, ১৬ ডিচেম্বৰঃ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই প্ৰথমবাৰ আনুষ্ঠানিকভাৱে শেষাংশ ৪ পৃষ্ঠাত

## ৰণোজ পেগুক গালি দিয়া বিজেপিৰ পালিনেতাক পুৰস্কাৰ

ই-সংবাদ, ১৬ ডিচেম্বৰঃ অসমৰ ঐতিহ্যমণ্ডিত ভূমিপুত্ৰ জনজাতি মিচিং জনগোষ্ঠীৰ জ্যেষ্ঠ নেতাক গালি পাৰি পুৰস্কাৰ পালে আকাশ ফুকন নামৰ বিজেপিৰ পালিনেতা শেষাংশ ৮ পৃষ্ঠাত

## প্ৰশাসনিক ক্ষমতাৰ মোহ

■ ড০ দীনেশ বৈশ্য



দেশ-কাল-সমাজ

আইএএছ পৰীক্ষাত প্ৰথম হৈ উত্তীৰ্ণ হৈছিল চিকিৎসা বিজ্ঞানৰ এজন স্নাতকোত্তৰ চিকিৎসক, যাৰ দেউতাকো এজন শেষাংশ ৩ পৃষ্ঠাত

### কাৰ্বন মন'ক্সাইডৰ বাবে কৰুণ ঘটনা

## জৰ্জিয়াত একেলগে প্ৰাণ গ'ল ১২ ভাৰতীয়ৰ




টিবলিছি, ১৬ ডিচেম্বৰঃ বহিঃৰাষ্ট্ৰত একেলগে কৰুণ মৃত্যুক সাৱটিলে বাৰগৰাকী ভাৰতীয়ই! জৰ্জিয়াৰ গুদৌৰীৰ মাউণ্টেইন ৰিজ'টৰ এখন ৰেষ্টুৰেণ্টত শেষাংশ ৭ পৃষ্ঠাত

### নিশাই বিজেপিয়ে জাৰি কৰিলে থ্ৰী লাইন হুইপ

# সংসদত আজি এক দেশ এক নিৰ্বাচন

### লক্ষণীয় হ'ব নীতিশ-নাইডুৰ স্থিতি


Three Line Whip

নতুন দিল্লী, ১৬ ডিচেম্বৰঃ মন গ'লেই নিজৰ ইচ্ছা অনুসৰি সিদ্ধান্ত ল'ব নোৱাৰা অৱস্থা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ। জেডিইউ, টিডিপিৰ কান্ধত ভেঁজা দি থিয় ৮ পৃষ্ঠাত চাওক




সংসদৰ বাহিৰত বিশেষ বেগ, সংসদৰ ভিতৰত বাংলাদেশৰ হিন্দুৰ প্ৰসংগ

## প্ৰিয়ংকাৰ কৌশলত বিব্ৰত শাসক পক্ষ

নতুন দিল্লী, ১৬ ডিচেম্বৰঃ সংসদীয় ৰাজনীতিত ভৰি দিয়েই বিজেপিৰ বাবে মূৰৰ কামোৰণি সৃষ্টি কৰিছে শেষাংশ ৯ পৃষ্ঠাত

## শিক্ষকৰ আমৰণ-অনশন

ই-সংবাদ, ১৬ ডিচেম্বৰঃ হাড় কঁপোৱা জাৰত মুকলি আকাশৰ তলত আমৰণ-অনশনত বহিছে ৰাজ্যৰ শিক্ষক শেষাংশ ২ পৃষ্ঠাত

### নতুন কৌশলৰ সন্ধান কেন্দ্ৰৰ

## মাওবাদীৰে অমিত শ্বাহৰ বৈঠক



নতুন দিল্লী, ১৬ ডিচেম্বৰঃ শেহতীয়াকৈ দেশৰ পৰা মাওবাদী নিৰ্মূলৰ বাবে কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহৰ নেতৃত্বত ৫ পৃষ্ঠাত চাওক



## শ্ৰমিকে পাব প্ৰাপ্য অধিকাৰ!

ই-সংবাদ, চাবুৱা-লাহোৱাল, ১৬ ডিচেম্বৰঃ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ মন্ত্ৰীসভাত নকৈ অন্তৰ্ভুক্ত মন্ত্ৰী ৰূপেশ শেষাংশ ৫ পৃষ্ঠাত

## কইনাক শহুৰেকৰ ঘৰত থৈ ঘৰ আহি নাপালে ভাতৃয়ে



## লাহোৱালত দুৰ্ঘটনা

ই-সংবাদ, চাবুৱা-লাহোৱাল, ১৬ ডিচেম্বৰঃ ডিব্ৰুগড় জিলাৰ লাহোৱাল থানাৰ অন্তৰ্গত লাহোৱালৰ চেঁচা দলঙত আজি পুৱতি নিশা শেষাংশ ৯ পৃষ্ঠাত

## ধৰ্ষণকাৰীৰ যৌন হ'ৰমনৰ নিঃসৰণ বন্ধ কৰাৰ দাবী

### ছুপ্ৰিম ক'ৰ্ট পালে মহিলা সংগঠন

ই-সংবাদ, ১৬ ডিচেম্বৰঃ ধৰ্ষণৰ অভিযুক্তসকলে যাতে পুনৰ এনে অপৰাধ সংঘটিত কৰিব নোৱাৰে, তাৰ বাবে কঠোৰ আইন প্ৰণয়নৰ বাবে শেষাংশ ৯ পৃষ্ঠাত

### ইলন মাস্কৰ ঘোষণাত টেক দুনীয়াত ধুমুহা

## জি-মেইলক প্ৰত্যাহ্বান জনাবলৈ আহিব এক্স-মেইল




নিউয়ৰ্ক, ১৬ ডিচেম্বৰঃ টেক দুনিয়াত নতুন জোৱাৰ তুলিবলৈ সাজু হৈছে এপল। শেহতীয়াকৈ আমেৰিকাৰ শেষাংশ ৫ পৃষ্ঠাত

## কংগ্ৰেছত আৰু নাথাকিব ফেন ক্লাব!

ই-সংবাদ, ১৬ ডিচেম্বৰঃ অসম কংগ্ৰেছত ফেন ক্লাব সংস্কৃতি নিষিদ্ধ হ'ব। ফেন ক্লাৰ সংস্কৃতিক লৈ ৰাজ্যিক কংগ্ৰেছৰ কেইবাগৰাকী শেষাংশ ৭ পৃষ্ঠাত

প্ৰথম পৃষ্ঠাৰ পৰা...

# শিক্ষকৰ আমৰণ-অনশন

সমাজ। চৰকাৰে শিক্ষকসকলক প্ৰৱঞ্চনা কৰি অহাৰ সীমা অতিক্ৰম কৰাত মুকলি আকাশৰ তলতে আজিৰে পৰা আমৰণ-অনশন কৰিবলৈ সিদ্ধান্ত লৈছে শিক্ষক সমাজে। ৰাজধানী গুৱাহাটী মহানগৰীত শীতৰ প্ৰকোপৰ মাজতে সংসাৰ চলোৱাৰ তাগিদাত প্ৰাণৰ সংশয় জন্মিব বুলি জানিও মুকলি আকাশৰ তলত বহি পৰিছে কেইবা শতাধিক শিক্ষক। বিজেপি দলে ২০১৪ চনৰ পিছৰে পৰা প্ৰতিটো নিৰ্বাচনত ৰাজ্যৰ ভেঞ্চাৰ স্কুলসমূহ প্ৰাদেশীকৰণৰ প্ৰতিশ্ৰুতি দি আহিছে। বিজেপি চৰকাৰ গঠন হোৱাৰ পিছতে শিক্ষকসকলৰ চাকৰি নিয়মীয়া হ'ব বুলি আশা কৰিছিল যদিও দলটোৱে সেই প্ৰতিশ্ৰুতি এতিয়া পাহৰি পেলাইছে। কেন্দ্ৰত তিনিবাৰ, ৰাজ্যত দুবাৰ চৰকাৰ গঠন কৰিও শিক্ষকসকলৰ চাকৰি নিয়মীয়া কৰাতো দূৰৰে কথা এতিয়া শিক্ষকৰ কথাই শুনিব নোখোজে বিজেপি চৰকাৰে। যাৰ ফলত আজিৰে পৰা গুৱাহাটীৰ চচলত আমৰণ অনশন আৰম্ভ কৰিছে শিক্ষকসকলে। সদৌ অসম অপ্ৰাদেশীকৃত শিক্ষক-কৰ্মচাৰী সন্থাই গুৱাহাটীৰ ভি.আইপি ৰোডৰ চচলত আৰম্ভ কৰিছে প্ৰতিবাদ। ২০১৭-১৮ চনৰ শিক্ষানুষ্ঠান প্ৰাদেশীকিকৰণ আইনৰ পূৰ্ণাংগ সংশোধন কৰি অৱশিষ্ট অপ্ৰাদেশীকৃত শিক্ষানুষ্ঠানসমূহ আৰু ২০১৩ আৰু ২০২১ চনত বঞ্চিত শিক্ষক-কৰ্মচাৰীসকলক প্ৰাদেশীকিকৰণৰ দাবীত গুৱাহাটীৰ চচলত আমৰণ অনশন আৰম্ভ কৰিছে। ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ পৰা আজি পুৱাই চচলত উপস্থিত হোৱা শিক্ষকসকলে কেইবাটাও দাবী পূৰ্ণ নকৰা পৰ্যন্ত আমৰণ অনশন কাৰ্যসূচী কৰি যোৱাৰ হুংকাৰ দিছে। শিক্ষক-শিক্ষয়িত্ৰীসকলে দিনে-নিশাই ভোকে-পিয়াহে অনশন কৰি যাবলৈ পণ লৈছে। শিক্ষকসকলে যেতিয়ালৈ তেওঁলোকৰ সমস্যা সমাধন কৰা নহয় আৰু চৰকাৰে আলোচনাত নবহে তেতিয়ালৈ ভোকে-পিঁয়াহে আন্দোলন কৰি যাব বুলি ঘোষণা কৰিছে। ইফালে অসম প্ৰদেশ কংগ্ৰেছৰ মিডিয়া বিভাগৰ অধ্যক্ষ বেদব্ৰত বৰাই এক বিবৃতিত কয় যে অসমৰ শিক্ষাগুৰুসকলৰ সমস্যা সমাধানৰ ক্ষেত্ৰত এইখন চৰকাৰৰ কোনো আন্তৰিকতা নাই। শিক্ষকসকলৰ সমস্যা সমাধান কৰিব নোৱাৰিলে বিদ্যায়তনিক পৰিৱেশত নেতিবাচক প্ৰভাৱ পৰে।

অপ্ৰাদেশীকৃত বিদ্যালয়সমূহৰ সমস্যাসমূহ সামাধান কৰিবলৈ কংগ্ৰেছ দলে দাবী উত্থাপন কৰা বুলিও কয় বৰাই। যুৱ নেতা সুব্ৰত তালুকদাৰে আজি প্ৰতিবাদস্থলীত উপস্থিত থাকি ভেঞ্চাৰ স্কুলসমূহ আৰু বৈ যোৱা পদসমূহ প্ৰাদেশীকৰণৰ দাবী জনায়। তালুকদাৰে কয় যে শিক্ষানুষ্ঠান প্ৰাদেশীকৰণৰ দাবীত চচলত হাজাৰ হাজাৰ শিক্ষকে আমৰণ অনশন কৰিছে। চৰকাৰী অৱহেলাৰ কাৰণে শিক্ষক সমাজে চৰম ত্যাগৰ বাবে সাজু হ'বলৈ কুণ্ঠাবোধ কৰা নাই। অথচ চৰকাৰে উন্নয়নৰ ফুলজাৰি মাৰিবলৈ শেষ নকৰে। চৰম ধিক্কাৰ। অসম অনুসূচিত জাতি সংগ্ৰামী যুৱ পৰিষদৰ সভাপতি সঞ্জীৱ দাসে মানৱ সম্পদ গঢ়াৰ খনিকৰক হাড় কঁপোৱা জাৰত প্ৰতিবাদ কৰিবলৈ বাধ্য কৰাটো চৰম অন্যায় বুলি কয়। দাসে শিক্ষকৰ আমৰণ-অনশনৰ সিদ্ধান্তক সমৰ্থন জনাই কয় যে পূৰ্বৰে পৰা শিক্ষকতা কৰি থকা শিক্ষকসকলৰ চাকৰি শীঘ্ৰে নিয়মীয়াকৰণ কৰি শিক্ষকসকলৰ জীয়াই থকাৰ ব্যৱস্থা কৰিব দিব লাগে। উল্লেখ্য যে, শিক্ষসকলে চৰকাৰে অপমান কৰাৰ লগতে জানি-শুনি বঞ্চিত কৰি ৰখাৰ অভিযোগ আনিছে। পেটত গামোচা বান্ধি শিক্ষকতা কৰি গৈছে ৰাজ্যৰ কেইবা শ শিক্ষকে। শিক্ষকৰ দুখ-দুৰ্দশা কুলাই-পাচিয়ে নধৰা হৈছে।

প্ৰাদেশীকিকৰণ আইন ৰূপায়ন কৰি বিদ্যালয় প্ৰাদেশীকিকৰণ কৰিলেও বাদ পৰা বহু বিদ্যালয় আৰু শিক্ষকসকলে পেটত গামোচা বান্ধি শিক্ষকতা কৰি গৈছে। নিতৌ পুৱা স্কুললৈ আহি শ্ৰেণীকোঠাত ছাত্ৰ-ছাত্ৰীক পাঠদান কৰে যদিও মাহৰ মূৰত দৰমহা নোপোৱা কেইবা শ শিক্ষক সংকটাৱস্থাত দিন পাৰ কৰিছে। জীৱনৰ প্ৰায় ডেৰ-দুই দশক শিক্ষকতা কৰিও এপছাও দৰমহা নোপোৱা শিক্ষকসকলে পৰিয়াল চলাব নোৱাৰা অৱস্থা হৈছে। মূল্যবৃদ্ধিৰ প্ৰকোপত ঘৰ চলাব নোৱাৰা হৈ পৰা এইসকল শিক্ষকৰ বিননি শুনিবলৈ প্ৰয়াস নকৰা চৰকাৰে কেইবাশতাধিক শিক্ষকৰ জীৱন ধ্বংস হ'বলৈ এৰি দিছে। এটা এটা দিন চকুলো টুকি পাৰ কৰা শিক্ষকসকলৰ ব্যথা অনুভৱ নকৰাৰ ফলতে বহু শিক্ষকে বিনাবেতনে এইখন পৃথিৱীৰ পৰা মেলানি মাগিলে। ধৰ্মৰ নামত ৰাজনীতি কৰা বিজেপিৰ মন্ত্ৰী-বিধায়কে বছৰৰ পিছত বছৰ ধৰি শিক্ষকতা কৰা ভেঞ্চাৰ স্কুলৰ শিক্ষকক ন্যায় দিব নোখোজে। ভেঞ্চাৰ স্কুলৰ শিক্ষকৰ দুখ-দুৰ্দশা, দুৰ্গতি, আলৈ-বিলৈক চৰকাৰে গুৰুত্ব দিয়া নাই। দিনৰ দিনটো শিক্ষাদানৰ নামত ব্যস্ত থাকি জীৱন যৌৱন সকলো শেষ কৰা হাজাৰ হাজাৰ শিক্ষকে হাহাকাৰ কৰিব লগা হৈছে। এসাজ ভাত, বস্ত্ৰ, সন্তানৰ পঢ়াৰ খৰছৰ বাবে আনৰ ঘৰত হাজিৰা নতুবা অইন কাম কৰিব লগা হৈছে। বহু শিক্ষাগুৰুৱে ই-ৰিক্সা চলাই, দিন হাজিৰা কৰি পৰিয়াল পোহপাল দিছে। বহু শিক্ষকে ৰোগত আক্ৰান্ত হৈ চিকিৎসা কৰিবৰ বাবে হাতত অৰ্থ নোহোৱাৰ বাবে পৃথিৱীৰ পৰা মেলানি মাগিছে। ৰাজ্য চৰকাৰে চৰম মিথ্যাচাৰৰ আশ্ৰয় লৈ ভেঞ্চাৰ শিক্ষানুষ্ঠানৰ হেজাৰ হেজাৰ শিক্ষক-কৰ্মচাৰীৰ জীৱনৰ সৈতে হেতালি খেলিছে। বিজেপি দলে নিৰ্বাচনৰ সময়ত দিয়া প্ৰতিশ্ৰুতি অনুসৰি চৰকাৰ গঠনৰ পিছতে স্কুল প্ৰাদেশীকিৰণ কৰিব লাগিছিল যদিও প্ৰাদেশিকীকৰণ সম্পৰ্কীয় কেইবাখনো সংশোধনী বিল আনিলে যদিও সমস্যা সমাধান নকৰি ভেঞ্চাৰ স্কুলৰ শিক্ষক-কৰ্মচাৰীৰ জীৱনলৈও নমাই আনিছে অনিশ্চয়তা। মন্ত্ৰী বিধায়কে নিজৰ দৰমহা বৃদ্ধি কৰি নিজৰ আৰ্থিক অৱস্থা টনকিয়াল কৰাৰ বাবে উঠি-পৰি লাগিছে সেই সময়ত ভেঞ্চাৰ শিক্ষকক বছৰ বছৰ ধৰি মানৱ সম্পদ গঢ় দিবলৈ কৰি অহা কষ্টৰ মাননি দিবলৈ শিক্ষামন্ত্ৰী, চৰকাৰৰ এলাৰ্জি উঠে। এনেকৈ এতিয়া নিজৰ ল'ৰা-ছোৱালীক এযোৰ ভাল কাপোৰ দিব নোৱাৰা বা নিজ পিতৃ-মাতৃক অকণো সহায় কৰিব নোৱাৰা এটি অৱস্থালৈ ঠেলি দিয়া হৈছে শিক্ষকসকলক।

৬নং পৃষ্ঠাৰ পৰা...

# ঘগ্ৰাপাৰত বন্য হস্তীৰ আক্ৰমণত দুজন

খেদিবলৈ বিভাগটোৱে মাজে সময়ে চেষ্টা চলাই যদিও স্থায়ীভাৱে হাতীৰ জাকটো খেদি পঠিয়াবলৈ সক্ষম নোহোৱাত চৰম বিপদৰ সন্মুখীন হৈ আহিছে নলবাৰীৰ উত্তৰ অঞ্চলৰ লোকসকল। বৃহত্তৰ অঞ্চলটোত বিচৰণ কৰি থকা বৃহৎ হাতীৰ জাকটোৰ বাবেই কৃষকসকলে দুৰ্বিসহ জীৱন কটাই অহাৰ পিছতো কৃষকসকলক সকাহ দিবলৈ সক্ষম হোৱা নাই বিয়াগোম বিভাগটো। তাৰ মাজতে সোমবাৰে জিলাখনৰ ঘগ্ৰাপাৰ ৰাজহ চক্ৰৰ অন্তৰ্গত ভদ্ৰবংগল গাঁৱত ঘটিল ভয়ংকৰ ঘটনা। গাঁওখনৰ আকলিমা বিবি আৰু মাইজান বিবি নামৰ দুগৰাকী মহিলাই স্থানীয় ৰিজাৰ্ভৰ খেলপথাৰত শুকোৱাবলৈ মেলি দিছিল ধান। ধান মেলি দিয়াৰ পিছত বিয়লিৰ ভাগত ধান আনিবলৈ যাওতে চাৰিটা হাতীৰে খেদি আহে মহিলা দুগৰাকীক। মহিলা দুগৰাকীয়ে পলাবলৈ চেষ্টা কৰে যদিও হাতীৰ আক্ৰমণত আকলিমা বিবিৰ এখন ভৰিত আঘাতপ্ৰাপ্ত হোৱাৰ লগতে মাইজান বেগমো গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত হয়। পাছত হাতীৰ জাকটোৰ কবলৰ পৰা স্থানীয় ৰাইজে মহিলা দুগৰাকীক উদ্ধাৰ কৰি চিকিৎসালয়লৈ নিয়াৰ ব্যৱস্থা কৰে। ঘটনাক লৈ অঞ্চলটোত হাহাকাৰময় পৰিস্থিতিৰ সৃষ্টি হয়।

• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •
UniqueBorah.Com
88764 90887
নামভৰ্তিৰ বাবে ওপৰৰ নংত যোগাযোগ কৰক।

প্ৰথম পৃষ্ঠাৰ পৰা...

# প্ৰশাসনিক ক্ষমতাৰ মোহ

জনপ্ৰিয় সুচিকিৎসক আছিল। চিকিৎসা বিজ্ঞানৰ স্নাতকোত্তৰ হোৱাৰ পিছতো আইএএছ হ'ব খোজা এই মেধাৱী আইএএছজনক সাংবাদিকে সুধিছিল তেওঁ চিকিৎসা বিজ্ঞানৰ স্নাতকোত্তৰ হোৱাৰ পিছতো কিয় আইএএছ হ'ব খুজিলে, তেওঁ কিয় দেউতাকৰ দৰে এজন ভাল চিকিৎসক হ'ব নুখুজিলে। তেতিয়া তেওঁ কৈছিল তেওঁৰ দেউতাকে পুৱাৰ পৰা ৰাতিলৈ ৰোগী চাই দিনটোত মাত্ৰ কেইশমান টকা উপাৰ্জন কৰে। তেওঁৰ ইমান ধৰ্য নাই। তেওঁ কম সময়ত বহুত বেছি টকা উপাৰ্জন কৰিব বিচাৰে আৰু সেই বাবেই তেওঁ আইএএছ হৈছে।

এইজন আইএএছ বিষয়া এটা বিয়াগোম ৰাজনৈতিক দুৰ্নীতিৰ সৈতে জড়িত হৈ আজীৱন জেইলত থাকিবলগীয়া হ'ল আৰু দুৰাৰোগ্য ৰোগত তেওঁৰ অকাল মৃত্যু হ'ল। এটা সম্ভাবনাময় জীৱন অকালতে শেষ হ'ল। এক কথাত তেওঁ ক্ষমতাৰ মোহৰ চিকাৰ হ'ল।

মেধাৱীয়ে হওক বা মেধাহীনেই হওক আইএএছ, এচিএছ হ'ব খোজাসকলৰ ক্ষমতা আৰু এটা ৰাজসিক চাকৰিৰ প্ৰতি সাংঘাতিক মোহ আছে। এই পৰীক্ষাত উত্তীৰ্ণ হ'বলৈ বহুত মেধাৱী হোৱাৰ কোনো প্ৰয়োজন নাই। মেধাৱী নহ'লেও এই পৰীক্ষাত উত্তীৰ্ণ হয়, হোৱা দেখিছো। আজিকালি নামী-দামী প্ৰশিক্ষণ প্ৰতিষ্ঠানত বহুত ধন খৰছ কৰি কম মেধাৰ লোকেও পৰীক্ষাত উত্তীৰ্ণ হ'ব পাৰে। তাৰ বাবে প্ৰয়োজন এই পদবী গ্ৰহণৰ দুৰন্ত ইচ্ছা, ধৈৰ্য আৰু কষ্ট কৰিব পৰা শক্তিৰ। বেছিভাগ অতি মেধাৱী লোকে এই পৰীক্ষাত বহিবলৈ ইচ্ছা নকৰে। বেছিভাগ মেধাৱী লোকে নিজৰ নিজৰ পচন্দৰ বিষয় লৈ উচ্চ শিক্ষা, গৱেষণা আদিলৈ গুছি যায়।

আইএএছ, এচিএছসকলক বেয়া পাই বা গালি পাৰিও লাভ নাই। ক্ষমতাত থকা মানুহ দেখদেখকৈ মূৰ্খ হ'লেও জনসাধাৰণে তেওঁৰ প্ৰতি অসীম শ্ৰদ্ধা প্ৰদৰ্শন কৰে। আচলতে আমাৰ সমাজত এক প্ৰকাৰৰ গোলামৰ মানসিকতা নিৰন্তৰ গঢ়ি উঠিছে। ভোগৰ অংশীদাৰ হ'বলৈ মানুহ গোলামো হ'ব পাৰে। এনে মানসিকতা ৰাজনৈতিকভাৱে গঢ়ি উঠিছে। আচলতে যিটো সজাত আইএএছ, এচিএছ আদি প্ৰশাসনিক বিষয়া সকলক গঢ়া হয় সেই সজাটো ঔপনিৱেশিক শাসক সকলে গঢ়ি থৈ গৈছে। এতিয়াৰ শাসকসকলো ঔপনিৱেশিক মানসিকতাৰেই প্ৰভাৱান্বিত। নহ'লেনো ১৮ শতিকাৰ আইনেই স্বাধীনতাৰ পিছলৈ চলি থাকেনে? আচলতে যিদৰে শাসনৰ হস্তান্তৰ হৈছে তেনেদৰেই প্ৰশাসন ব্যৱস্থাটোও ঔপনিৱেশিক শাসকৰ পৰা তথাকথিত স্বাধীন শাসকলৈ হস্তান্তৰ হৈছে। এতিয়া আকৌ ধৰ্মীয় ৰাজনৈতিক ব্যৱস্থাত নিৰ্দিষ্ট কিছুমান লোকে প্ৰশাসনিক বিষয়া হোৱাৰ সুবিধা লাভ কৰিছে, যিসকল নিজেই দাসত্বৰ মানসিকতাৰ, সেইবাবেই তেওঁলোকৰ বেছিভাগেই সাধাৰণ মানুহক দাসৰ দৰে ব্যৱহাৰ কৰে। এওঁলোকৰ বাবে আটাইতকৈ ডাঙৰ সমস্যাটো হ'ল মন্ত্ৰী, নেতাক সন্তুষ্ট কৰি ৰাখিবলগীয়াটো। নেতা, মন্ত্ৰীক সন্তুষ্ট কৰিবলৈ গৈ তেওঁলোক দুৰ্নীতিৰ অংশীদাৰ হৈ পৰে। অৱশ্যে সকলোৱেই তেনেকুৱা নহয়। যি সকল মন্ত্ৰী-নেতাৰ আজ্ঞাবাহী নহয়, তেনে আইএএছ, এচিএছ বিষয়াসকলৰ চাকৰি জীৱন বৰ কষ্টকৰ হয়।

৬নং পৃষ্ঠাৰ পৰা...

# ড্ৰাগছৰ বিৰুদ্ধে আৰক্ষীক কঠোৰ হোৱাৰ

হিচাপে গঢ়ি তুলিবলৈ অহৰহ প্ৰচেষ্টা চলাই থকা কাৰ্যত চৰাইদেউ জিলাৰ সচেতন মহলে গভীৰ উদ্বেগ প্ৰকাশ কৰিছে। যিহেতু বিগত কিছুদিন ধৰি চৰাইদেউ জিলাৰ অসম-নাগালেণ্ড সীমান্তৰ নামতোলাৰপৰা সোণাৰিৰ নগৰৰ লগতে পাৰ্শ্ববৰ্তী কিছু অঞ্চলত সংঘটিত হৈছে ইটোৰ পিছত সিটো অপৰাধমূলক ঘটনা। শেহতীয়াকৈ অসম-নাগালেণ্ড সীমান্তৰ নামতোলাৰপৰা মোছলেক উদ্দিন নামৰ এগৰাকী ব্যৱসায়ীক অস্ত্ৰধাৰী নগা লোকে অপহৰণ কৰাৰ পাছতেই পোহৰলৈ আহিছে ন ন তথ্য। নাগালেণ্ডৰ পৰা চাৰি-পাঁচজনীয়া অস্ত্ৰধাৰী নগাৰ দল এটা অসমত প্ৰৱেশ কৰি নিজ বাসগৃহৰ পৰাই মোছলেক উদ্দিনক টানি-আঁজুৰি লৈ যোৱাৰ পাছত নাগালেণ্ডৰ অজ্ঞাত স্থানৰ পৰা প্ৰেৰণ অপহৃত লোকজনৰ দুটা ভিডিঅ' বাৰ্তাত স্পষ্টকৈ প্ৰকাশ পাইছে নামতোলা অঞ্চলত অবৈধ ড্ৰাগছৰ বেহা চলি থকাৰ কথা। মন কৰিবলগীয়া যে, সীমান্তৱৰ্তী নামতোলাৰ দৰে স্পৰ্শকাতৰ এলেকাত সমাজবিৰোধী চক্ৰই মদ, ভাং, জুৱাৰ অবৈধ আড্ডা চলাই থকাৰ পৰিপ্ৰেক্ষিতত আৰক্ষীয়ে সময়ে সময়ে অভিযান চলাই এই আড্ডাস্থলী উৎখাতৰ বাবে পদক্ষেপ গ্ৰহণ কৰি আহিছে যদিও সফল হ'ব পৰা নাই। আনহাতে, অসম-নাগালেণ্ড সীমান্তৰ নামতোলা অঞ্চল অপৰাধীৰ ৰম্যভূমিত পৰিণত হোৱা বুলি বিভিন্ন সংবাদ মাধ্যমত প্ৰকাশ হৈ আহিছে বহুদিনৰ পৰাই। দীৰ্ঘদিন ধৰি এই অঞ্চলত ব্যৱসায় তথা কৰ্মসংস্থাপন বিচাৰি অন্য ঠাইৰ পৰা আহি থিতাপি লোৱা একাংশ লোকৰ পৃষ্ঠপোষকতাত অসামাজিক কাৰ্যকলাপ, ড্ৰাগছ, মাদক দ্ৰব্য আদিৰ ৰমৰমীয়া বেহা বৃদ্ধি পাইছে বুলি স্থানীয় জনসাধাৰণে অভিযোগ উত্থাপন কৰি আহিছে। যাৰ ফলত সমগ্ৰ নামতোলা অঞ্চলৰ শৈক্ষিক সামাজিক পৰিৱেশ বিনষ্ট হৈ পৰিছে। আনহাতে, জিলাখনৰ অসম-নাগালেণ্ড আৰু অসম-অৰুণাচল প্ৰদেশ সীমান্তৱৰ্তী অন্য ঠাইসমূহতো অনুৰূপ পৰিৱেশ গঢ়ি উঠাৰ অভিযোগ দীৰ্ঘদিনীয়া। তাৰ পিছতো কিন্তু চৰাইদেউ আৰক্ষীয়ে কঠোৰ অনুশাসনমূলক পদক্ষেপ গ্ৰহণ নকৰাৰো অভিযোগ উত্থাপন কৰি আহিছে সীমান্তবাসীয়ে। যাৰ ফলত আজি চৰাইদেউত অবৈধ ড্ৰাগছৰ বেহা নিৰ্মূলৰ ক্ষেত্ৰত অধিক কঠোৰ পদক্ষেপ গ্ৰহণ কৰিবলৈ চৰাইদেউ জিলা আৰক্ষীক নিৰ্দেশ প্ৰদান কৰিছে কেবিনেট মন্ত্ৰী যোগেন মহনে। এই সন্দৰ্ভত মন্ত্ৰীগৰাকীয়ে কয় যে দুখনকৈ চুবুৰীয়া ৰাজ্যৰ সীমান্তৰ জিলা হিচাপে চৰাইদেউ জিলাত আৰক্ষী প্ৰশাসন অধিক কঠোৰ হোৱা প্ৰয়োজন। সীমান্তৰ উন্মুক্ত অঞ্চলসমূহ, যিবোৰ চোৰাং পথেৰে দুষ্কৃতিকাৰী চৰাইদেউ জিলাত প্ৰৱেশ কৰে তেনেবোৰ পথ ছীল কৰা লগতে দুষ্ট চক্ৰটোক উৎখাত কৰিবলৈ এটা ট'ল ফ্ৰী নম্বৰ মুকলি কৰাৰো পোষকতা কৰে মন্ত্ৰী যোগেন মহনে।

৬নং পৃষ্ঠাৰ পৰা...

# শিৱসাগৰ জিলাৰ ৰিৰিয়াত একেনিশাতে

ভাও জুৰি থকাৰ এটা সুযোগ লৈ উজনি অসমত চোৰাং গৰুৰ চিণ্ডিকেট চক্ৰই চুৰি গৰুৰ অবাধ বেহা অব্যাহত ৰাখিছে। বিশেষকৈ শিৱসাগৰ জিলাৰ কোঁৱৰপুৰ আৰু বেতবাৰী মৌজাত গৰু চুৰি চক্ৰৰ উপদ্ৰৱত হাহাকাৰ কৰিবলগীয়া হৈছে গ্ৰামাঞ্চলৰ গো-পালক, খেতিয়কসকলে। আৰক্ষী গৰু চুৰি চক্ৰৰ বিৰুদ্ধে কঠোৰ নোহোৱা বাবেই দিনক দিনে বৃদ্ধি পাইছে গৰু চুৰি কাণ্ড। গো-মাংস বিতৰ্কত ৰাজনৈতিক নেতাসৱ মচগুল হৈ থকাৰ সময়তে যোৱা নিশা কোঁৱৰপুৰ মৌজাৰ ৰিৰিয়াৰ একেটা পৰিয়ালৰে দহ টা গৰু চোৰে চুৰি কৰি নিয়ে। দুটা পৰিয়ালৰ ক্ৰমে ইমৰাণ আলি আৰু ছাইফুদ্দিন আহমেদৰ দহটা বলধ গৰু চুৰি কৰি নিয়ে চোৰে। গোহালিৰ কাষতে থকা উপথাৰত এৰাঁল দি থৈছিল গৰুকেইটা। নিশা এৰাল কাটি লৈ যায় গৰু কেইটা। পুৱা গৃহস্থই গৰু নেদেখি চোৰে নিয়া বুলি নিশ্চিত হয়। উল্লেখ্য যে গৰু পালন কৰিয়েই জীৱিকা অৰ্জন কৰি আহিছে ইমৰান আলি পৰিয়ালে। পুৱা গৰু কেইটা নেদেখি হাহাকাৰ লাগিছে পৰিয়াল দুটাৰ মাজত। ইপিনে এই সন্দৰ্ভত ইমৰাণ আলি আৰু ছাইফুদ্দিন আহমেদে দিচাংমুখ আৰক্ষী চকীত এজাহাৰ দাখিল কৰিছে। এজেহাৰত ইমৰাণ আলিয়ে অভিযোগ কৰা অনুসৰি একেখন ঠাইৰে চাৰি গৰাকী লোক এই গৰু চুৰি কাণ্ডৰ সৈতে জড়িত আছে। জনৈক ভাইৰ নেতৃত্বতে চাৰিজন লগ লাগি গৰু কেইটা চুৰি কৰি নিয়ে বুলি অভিযোগ তুলিছে। ইমৰাণ আলিয়ে আগত সদৰি কৰা অনুসৰি গৰুকেইটা চোৰে চুৰি কৰি এখন বলেৰ' পিক আপত দেৰগাঁৱলৈ সৰবৰাহ কৰে। তাৰ পিছতে নাগালেণ্ডলৈ চালান দিয়ে। গৰু চুৰি কাণ্ডৰ বিৰুদ্ধে যথোচিত পদক্ষেপ ল'বলৈ গৰুৰ গৰাকীৰ লগতে স্থানীয় একাংশ ৰাইজে আৰক্ষীৰ প্ৰতি দাবী জনাইছে। স্থানীয় একাংশ ৰাইজে উল্লেখ কৰা অনুসৰি সমগ্ৰ দিচাংমুখ অঞ্চলৰ পৰা যোৱা কেইমাহ মানৰ ভিতৰতে এশৰো অধিক গৰু চুৰি হৈছে। অথচ আৰক্ষীয়ে চোৰ গ্ৰেপ্তাৰ কৰাত চূড়ান্তভাৱে ব্যৰ্থ হৈছে।

■ ৬নং পৃষ্ঠাৰ পৰা...

# ভাই বোৱাৰীক নিৰ্যাতন, ৰঙাঘৰৰ

জে'ললৈ প্ৰেৰণ কৰিছে। সাংবাদিকজনক জে'ললৈ প্ৰেৰণ কৰাক কেন্দ্ৰ কৰি বাইহাটা চাৰিআলি আৰু বেজেৰাত অভিযোগ-প্ৰতিঅভিযোগৰ সৃষ্টি হৈছে। যোৱা শুকুৰবাৰে সন্ধিয়া জে'ললৈ প্ৰেৰণ কৰা ছেটেলাইট চেনেলৰ সাংবাদিকজন হৈছে বাইহাটা চাৰিআলিৰ পৰা সংবাদ পৰিৱেশন কৰা বেজেৰাৰ ৰাতুল ডেকা। কামৰূপ জিলা সাংবাদিক সন্থাৰ যুটীয়া সম্পাদকৰ দায়িত্বত থকা ৰাতুল ডেকাক বাইহাটা চাৰিআলি আৰক্ষীয়ে ৰুজু কৰা ৩২৫/২৪ নং গোচৰৰ ভিত্তিত নাৰী নিৰ্যাতনৰ অভিযোগত জে'ললৈ প্ৰেৰণ কৰা হয়। ৰাতুল ডেকাৰ উপৰি ভাতৃ সুৰজিত ডেকা, পিতৃ চন্দ্ৰধৰ ডেকা, মাতৃ ৰীনা ডেকা, আন এগৰাকী ভাতৃ বিপুল ডেকা, বিপুল ডেকাৰ পত্নী নমী ডেকা, ৰাতুল ডেকাৰ পত্নী পুষ্পাঞ্জলী ডেকা আৰু ৰাতুল ডেকাৰ কন্যা দীক্ষিতা ডেকাৰ বিৰুদ্ধেও বাইহাটা চাৰিআলি আৰক্ষী থানাত এজাহাৰ দাখিল কৰিছে ভুক্তভোগীয়ে। ভুক্তভোগী মহিলাগৰাকীয়ে সদৰি কৰা মতে ৮ ডিচেম্বৰৰ নিশা প্ৰায় ৯ বজাত তেওঁ নিজৰ কোঠাত শুই থকা অৱস্থাত ৰাতুল ডেকাই বাহিৰৰ পৰা অশ্লীল গালি-গালাজ কৰিবলৈ আৰম্ভ কৰে। এনেদৰে নানা ধৰণৰ অশ্লীল গালি-গালাজ পাৰি ৰাতুল ডেকাই ভাই বোৱাৰী শুই থকা কোঠাৰ দৰ্জা ভাঙি ভিতৰত সোমাই যায়। তাৰ পিছত তেওঁক চুলি আৰু কাপোৰত ধৰি মাটিত চোঁচৰাই বাহিৰলৈ টানি আনি ডিঙিত ভৰিৰে গছকি মাৰি পেলোৱাৰ অপচেষ্টা চলাই। ৰাতুল ডেকাই ভাই বোৱাৰীক প্ৰাণে মৰাৰ চেষ্টা চলাই থকা সময়তে এইবাৰ মহিলাগৰাকীৰ স্বামী সুৰজিত ডেকাই নিজ পত্নীক একেবাৰে মাৰি পেলাবলৈ এদাল কাঠৰ বাটাম ভাতৃ ৰাতুল ডেকাক আনি দিয়ে। সেই দালেৰে মূৰত কোব মাৰিবলৈ লওতেই বাওঁ হাতেৰে ধৰিবলৈ চেষ্টা কৰাত আঘাতপ্ৰাপ্ত হয় মহিলাগৰাকী। ইয়াতে শান্ত নাথাকি পৰিয়ালৰ আটাইকেইজনে একলগ হৈ ভুক্তভোগী মহিলাগৰাকীক শাৰীৰিক প্ৰহাৰ চলাই মুখ মণ্ডলৰ লগতে সৰ্বশৰীৰ আঘাতপ্ৰাপ্ত কৰে। ভুক্তভোগীৰ অভিযোগ অনুসৰি পুত্ৰ নিবিৰ ডেকাকো ৰাতুল ডেকাই ঘৰৰ বাৰন্দাৰ পৰা চোতালত দলিয়াই দিয়ে। পিছত মহিলাগৰাকীৰ চিঞৰ শুনি চুবুৰীয়াই বাইহাটা চাৰিআলি আৰক্ষীক খবৰ দিয়ে। এই ক্ষেত্ৰত বেজেৰা গাওঁ পঞ্চায়ত মহিলা কোষৰ ফালৰ পৰাও ভুক্তভোগী মহিলাগৰাকীক সহায় কৰে। বাইহাটা চাৰিআলি আৰক্ষীয়ে মহিলাগৰাকীক বেজেৰা সামূহিক স্বাস্থ্য কেন্দ্ৰত নিশাই ভৰ্তি কৰাত চিকিৎসকে তেওঁৰ হাতখন ভঙা বুলি জানিবলৈ দিয়াৰ লগতে আঘাত গুৰুতৰ হোৱাত উন্নত চিকিৎসাৰ বাবে গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ত ভৰ্তি কৰিবলৈ পৰামৰ্শ দিয়ে। এনে অভিযোগৰ ভিত্তিত ৰাতুল ডেকাক জে'ললৈ প্ৰেৰণ কৰাৰ বিপৰীতে ভুক্তভোগী মহিলাগৰাকীৰ স্বামী সুৰজিত ডেকা আৰু সুৰজিত ডেকাৰ আন এজন ভাতৃ বিপুল ডেকা সম্প্ৰতি পলাতক অৱস্থাত আছে বুলি বাইহাটা চাৰিআলি আৰক্ষীয়ে জানিবলৈ দিছে। ইফালে সাংবাদিক ডেকাৰ পৰিয়ালে সুৰজিত ডেকাৰ পত্নীয়ে অনা সকলো অভিযোগ ভিত্তিহীন বুলি কয়। আনহাতে কেৱল সাংবাদিক হোৱাৰ বাবে ৰাতুল ডেকাৰ এই কৰ্মকাণ্ডৰ বাতৰি পৰিৱেশন নকৰা স্থানীয় সংবাদকৰ্মীক তীব্ৰ গৰিহণা দিয়ে একাংশ সচেতন ৰাইজে। তেনে সাংবাদিকক ভৱিষ্যতে বেজেৰাত বাতৰি পৰিৱেশনত বাধা প্ৰদান কৰা হ'ব বুলিও সদৰী কৰে।

■ ৬নং পৃষ্ঠাৰ পৰা...

# আৰক্ষীৰ নিদ্ৰা হৰণকাৰী দুই গো-মাফিয়া

ব্যৱসায়ত জড়িত থকা বুলি ধুবুৰী জিলাৰ বিভিন্ন থানাত গোচৰ ৰুজু হৈ আছে। দুয়োকে আৰক্ষীয়ে বহুদিনৰ পৰা বিচাৰি আছিল। পৰহি নিশা বালাজান আৰক্ষীয়ে এক সন্দেহজনক অৱস্থাত বালাজানৰ ১৭ নং ৰাষ্ট্ৰীয় ঘাইপথৰ পৰা সহিদুল হকক আটক কৰে। সোধা-পোছাৰ অন্তত গ্ৰেপ্তাৰ কৰি কালি পুৱা গৌৰীপুৰ থানাত হস্তান্তৰ কৰে। সহিদুলৰ স্বীকাৰোক্তিৰ ভিত্তিত আজি পুৱা গৌৰীপুৰ আৰক্ষীয়ে গৌৰীপুৰৰ পৰাই আমিনুৰ ৰহমানক আটক কৰে। আমিনুৰৰ নামত আগমনি থানাতো ইতিমধ্যে গোচৰ ৰুজু হৈ আছে। সেয়ে দুপৰীয়া আগমনি আৰক্ষীয়ে আমিনুৰক আগমনি থানালৈ আনে। আমিনুৰ ইতিমধ্যে বিভিন্ন গোচৰত কেইবাবাৰো জে'ললৈ গৈছে। অভিযোগ মতে, এসময়ৰ কুখ্যাত গো-মাফিয়া আদমৰ আৰক্ষীৰ এনকাউণ্টাৰত মৃত্যুৰ পিছতে গৰুৰ চোৰাং বেহা সম্পূৰ্ণ দুই ভাতৃৰ নিয়ন্ত্ৰণত আহে। আঠ-দহখন বিলাসী বাহনেৰে পশ্চিমবংগৰ পৰা গো-ধন কঢ়িয়াই গৌৰীপুৰ ধুবুৰীৰ গোপন স্থানত জমা কৰি তাৰ পৰা বাংলাদেশ লৈ চালান কৰে। সমান্তৰালকৈ প্ৰতিদিনে গো-মাংস আৰু মূল্যৱান কাঠৰ চোৰাং বেহাও অব্যাহত ৰাখিছে। পশ্চিমবংগৰ পৰা গো-মাংস গৌৰীপুৰলৈ চালান দিয়াৰ বিপৰীতে বাশবাৰী, পৰ্বতঝৰা আদি বনাঞ্চলৰ মূল্যৱান কাঠ ধুবুৰী আৰু ছাগলীয়া বন বিভাগৰে মিলি পশ্চিমবংগ লৈ চালান দি আহিছে। আৰক্ষীয়ে প্ৰাথমিক তদন্ততে চোৰাং গৰু আৰু গো-মাংসৰ লগত জড়িত বহু আপত্তিজনক তথ্য উদঘাটন কৰিবলৈ সক্ষম হৈছে। আৰক্ষীয়ে দুয়োকে গ্ৰেপ্তাৰ কৰি তদন্ত অব্যাহত ৰাখিছে। পুনৰ বহু তথ্য উদঘাটন হোৱাৰ সম্ভাৱনাত বহু অপৰাধী আৰক্ষীৰ জালত পৰাৰ সম্ভাৱনা প্ৰকট হৈছে।

■ ৬নং পৃষ্ঠাৰ পৰা...

# লণ্ডনত থকা ভাতৃৰ নামত কৰে ঠিকা!

সমষ্টিৰ বহু বিতৰ্কিত বিজেপি বিধায়ক ঠাকুৰীয়াৰ ভাতৃয়ে পথ নিৰ্মাণৰ ঠিকা কৰাৰ অভিযোগ উঠিছে। পলাশবাৰী সমষ্টিৰ পশ্চিম কুমাৰবড়ীত নিৰ্মাণ হৈ থকা পথ এটাৰ ঠিকা বিধায়ক ভাতৃ দিগন্ত ঠাকুৰীয়াৰ নামত আৱণ্টন দিয়া হৈছে। পথটোৰ কাম-কাজ অতি নিম্নমানৰ আৰু ব্যৱহৃত সা-সামগ্ৰী নিম্নমানৰ বুলি ৰাইজে অভিযোগ আনিছে। ইতিমধ্যে নিৰ্মাণৰ পিছতে পথটো ঠায়ে ঠায়ে এৰাই গৈছে। ৰাইজে অভিযোগ কৰা মতে, পথটোৰ কাম কৰিছে বিধায়কৰ ভাতৃয়ে। বিধায়ক হেমাংগ ঠাকুৰীয়াৰ ভাতৃ দিগন্ত ঠাকুৰীয়াৰ নামত থকা ফাৰ্মে ঠিকা লাভ কৰিছে ঠিকেই, কিন্তু ঠাকুৰীয়াৰ ভাতৃ দিগন্ত আছে লণ্ডনত। সংবাদমাধ্যমৰ সন্মুখত নিজেই ভাতৃ লণ্ডনত থকাৰ কথা স্বীকাৰ কৰি পথৰ কাম চোৰা-চিতা তথা ঠিকাৰ কাম চোৰা-চিতা দলীয় কৰ্মীয়ে কৰিছে বুলি কয়। ঠিকাদাৰ ভাতৃ দিগন্তক সুৰক্ষা দিবলৈ গৈ লণ্ডনত থকা ভাতৃয়ে পলাশবাৰীত ঠিকা কৰি থকা কথাটো প্ৰচাৰ কৰাটো ৰাজনৈতিক প্ৰতিদ্বন্দ্বীৰ কাম বুলি অভিযোগ আনিছে বিধায়ক ঠাকুৰীয়াই।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# তিনি দিনৰ বাবে ভূটান পালে

বিদেশ ভ্ৰমণ কৰিছে। তিনিটা দিন দেশৰ বাহিৰত তথা অসমৰ গাতে লাগি থকা চুবুৰীয়া দেশ ভূটানত অতিথি হিচাপে কটাব মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই। আজি দুপৰীয়া তিনিদিনীয়া ভ্ৰমণ কাৰ্যসূচী লৈ চুবুৰীয়া দেশ ভূটানত উপস্থিত হয় অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা। পত্নীসহ ভূটানত উপস্থিত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাক ৰাজকীয় আদৰণি জনাই ৰয়েল ভূটান চৰকাৰৰ প্ৰতিনিধিয়ে। ভূটানৰ পাৰো বিমান বন্দৰত উপস্থিত হোৱাৰ পিছতে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা আৰু পত্নী ৰিণিকি ভূঞা শৰ্মাক আদৰণি জনাই ভূটান চৰকাৰৰ প্ৰতিনিধিয়ে। ড০ হিমন্ত বিশ্ব শৰ্মা আৰু পত্নীক পৰম্পৰাগতভাৱে ভূটান ৰয়েল চৰকাৰৰ বৈদেশিক পৰিক্ৰমা আৰু বৈদেশিক বাণিজ্য মন্ত্ৰী এইচ.ই. লিয়ংপো ডি.এন. ধুংগিয়েলে উষ্ম আদৰণি জনায়। চুবুৰীয়া দেশ ভূটানৰ ৰাষ্ট্ৰীয় দিৱসত অতিথি হিচাপে উপস্থিত থাকিবলৈ তিনিদিনীয়া ভূটান ভ্ৰমণসূচী লৈ ভূটানত উপস্থিত হয় মুখ্যমন্ত্ৰীয়ে। পাৰো বিমান বন্দৰৰ পৰা পোনে পোনে ৰাজমহললৈ যায়। ৰাজমহলত ভূটানৰ ৰজা জিগমে খেছাৰ নামগিয়াল ৱাংচুক সাক্ষাৎ কৰে। ৰজা নামগিয়ালে মুখ্যমন্ত্ৰীক উষ্ম আদৰণি জনাই অসমৰ মুখ্যমন্ত্ৰীৰ ভ্ৰমণে ভাৰত-ভূটানৰ বৈদেশিক সম্পৰ্ক অধিক উন্নত কৰিব বুলি আশা কৰিছে। তিনিদিনীয়া ভ্ৰমণকালত চুবুৰীয়া ৰাষ্ট্ৰখনৰ সৈতে ভাৰতৰ সম্পৰ্ক বৃদ্ধি কৰিবলৈ যত্নপৰ হ'ম বুলি কয় মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# শ্ৰমিকে পাব প্ৰাপ্য অধিকাৰ!

গোৱালাই নিজ সমষ্টি ডুমডুমাত বাহৰ পাতি আছিল যদিও আজি গুৱাহাটীলৈ উভতি আহিছে। আজি ডিব্ৰুগড়ৰ মোহনবাৰী বিমান বন্দৰৰ পৰা গুৱাহাটী অভিমুখে উৰা মৰাৰ পূৰ্বে বিমানবন্দৰত সাংবাদিকক মনৰ কথা প্ৰকাশ কৰে। চাহ জনগোষ্ঠীৰ উন্নয়নৰ হকে কাম কৰি যোৱাৰ লগতে জনজাতিকৰণ, চাহ বাগিচাৰ শ্ৰমিকৰ মাটিৰ পট্টা, শিক্ষা আদি বিষয়ক লৈ গুৰুত্বপূৰ্ণ মন্তব্য প্ৰদান কৰিছে। মন্ত্ৰী ৰূপেশ গোৱালাই মুখ্যমন্ত্ৰীয়ে চাহ বাগিচা আৰু আদিবাসী এলেকাৰ লোকৰ হে কাম কৰিবলৈ পৰিকল্পনা কৰিছে আৰু যথেষ্ট কাম কৰিছে বুলি দাবী কৰে। তেওঁ কয় যে মুখ্যমন্ত্ৰীৰ পৰিকল্পনা যথেষ্ট আছে। কিন্তু মই তেওঁক সহযোগহে কৰিব লাগিব। পৰিকল্পানসমূহক লৈ আমি বহু সময়ত চৰ্চা কৰিছো। আমি একেলগে আগবাঢ়ি গ'লে বাগিচাৰ ৰাইজৰ সমস্যা সমাধান কৰিব পাৰিম। কিন্তু বাগিচা ৰাইজৰ সকলো সমস্যা একেলগে সমাধান কৰাটো সম্ভৱ নহয়। গোৱালাই গেৰাণ্টী দি কয় যে যোৱা কেইটামান বছৰত যিখিনি কাম হৈছে আৰু অনাগত দিনত যিখিনি কাম হ'ব সেয়া আগৰ চৰকাৰৰ বোৰতকৈ বহু ভাল কাম আৰু আগুৱাই যাব পৰা কাম হৈছে। শিক্ষাৰ ক্ষেত্ৰত বাগিচাৰ কাৰণে মুখ্যমন্ত্ৰীয়ে যিখিনি কাম কৰিলে সেইখিনি যুগান্তকাৰী বুলি দাবী কৰি মন্ত্ৰীগৰাকীয়ে কয় যে নতুন মডেল স্কুল স্থাপন কৰা হৈছে। ভৱিষ্যতে সেই বিদ্যালয়সমূহ উচ্চতৰ মাধ্যমিক পৰ্যায়লৈ নিয়া হ'ব। বাগিচা এলেকাত নতুনকৈ ১০ খন মহাবিদ্যালয় স্থাপন কৰাৰ ঘোষণা কৰা হৈছে। আমাৰ চৰকাৰ বাগিচাৰ শিক্ষাক লৈ যথেষ্ট ছিৰিয়াছ আৰু অতিৰিক্ত শিক্ষক নিযুক্তি আৰু নতুন স্কুল প্ৰাদেশীকিকৰণ কৰা হ'ব। জনজাতিৰণৰ বিষয়টোত বিজেপি চৰকাৰে যিমান ছিৰিয়াছ সিমান আন চৰকাৰ নাছিল বুলি দাবী কৰি গোৱালাই কয় যে জনজাতিৰণৰ বিষয়টো বহু দূৰলৈ নিছে। জনজাতিকৰণ নোহোৱা পৰ্যন্ত কাম কৰাৰ ব্যৱস্থা কৰিছে। চাকৰিত সংৰক্ষণৰ ব্যৱস্থা কৰা হৈছে। চাহ বাগিচা এলেকাত আজিও শ্ৰমিকৰ মাটি পট্টা নাই আৰু ঘৰ নাই বুলি আক্ষেপ কৰি ডুমডুমাৰ বিধায়কগৰাকীয়ে কয় যে আমি মুখ্যমন্ত্ৰীক এই কথাটো জনাইছো। মুখ্যমন্ত্ৰীক আমি জনোৱা দাবীক সমৰ্থন জনাইছে। আমি মাটিৰ পট্টা দিবৰ বাবে কাম আৰম্ভ কৰিছো। চাহ বাগিচাৰ শ্ৰমিকে মাটি-ভেটিৰ অধিকাৰ পাব। ৰূপেশ গোৱালাক বিমানবন্দৰত ডিব্ৰুগড় জিলা অসম চাহ মজদুৰ সংঘৰ বিষয়-ববীয়াসকলে সম্বৰ্ধনা জনায়।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# মাওবাদীৰে অমিত শ্বাহৰ বৈঠক

তৎপৰ হৈ পৰিছে ভাৰত চৰকাৰ। চৰকাৰৰ মাওবাদী বিৰোধী অভিযানৰ মাজতে সোমবাৰে ছত্তীশগড়, ওড়িশা, মহাৰাষ্ট্ৰ, তেলেংগানা, অন্ধ্ৰ প্ৰদেশ আৰু অসমৰ ৩০ গৰাকী প্ৰাক্তন মাওবাদী নেতাক সাক্ষাৎ কৰে অমিত শ্বাহে। তেওঁ মাওবাদীসকলক হিংসাৰ পথ পৰিত্যাগ কৰি মূলসুঁতিলৈ ঘূৰি আহিবলৈ উৎসাহিত কৰে। এই প্ৰাক্তন মাওবাদীসকলক পুনৰ সংস্থাপনৰ প্ৰতিশ্ৰুতি দি শ্বাহে কয় যে, "দেশৰ যুৱ মাওবাদীসকলে এতিয়া বুজি পাইছে যে হিংসা কোনো সমাধান নহয়। আমাৰ আহ্বানৰ প্ৰতি সঁহাৰি জনাই তেওঁলোকে আত্মসমৰ্পণ কৰিছে।" কেন্দ্ৰীয় চৰকাৰে জনাইছে যে প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ অধীনত প্ৰাক্তন মাওবাদীৰ পুনৰ সংস্থাপনৰ বাবে ১৫ হাজাৰ গৃহ নিৰ্মাণত অনুমোদন দিয়া হৈছে। তদুপৰি প্ৰতিটো পৰিয়ালক এটাকৈ পশুধন দিয়া হ'ব যাতে তেওঁলোকে জীৱিকা উপাৰ্জন কৰিব পাৰে। চৰকাৰী নীতিৰ ফলত মাওবাদী কাৰ্যকলাপ হ্ৰাস পাইছে বুলি দাবী কৰে শ্বাহে। ইতিমধ্যে উত্তৰ-পূব ভাৰতত ২০খন শান্তি চুক্তি স্বাক্ষৰিত হৈছে আৰু প্ৰায় ৯ হাজাৰ মাওবাদীয়ে আত্মসমৰ্পণ কৰিছে বুলি গৃহমন্ত্ৰীগৰাকীয়ে জনায়। চৰকাৰী পৰিসংখ্যা অনুসৰি চলিত বৰ্ষত ২০৭জন মাওবাদী নিহত হোৱাৰ লগতে মাওবাদী দুৰ্গ হিচাপে পৰিচিত কেইবাটাও অঞ্চলত অভিযানত উল্লেখযোগ্য সফলতা লাভ কৰা হৈছে। একে সময়তে মাওবাদীক নিৰ্মূলৰ বাবে চৰকাৰৰ পৰিকল্পনা সঠিক দিশত আগবাঢ়িছে বুলি দাবী কৰে গৃহমন্ত্ৰীগৰাকীয়ে। কিন্তু ছত্তীশগড়ৰ চাৰিখন জিলাৰ দৰে একাংশ অঞ্চলত মাওবাদী কাৰ্যকলাপ এতিয়াও সম্পূৰ্ণৰূপে বন্ধ হোৱা নাই। শ্বাহে কয় যে '২৬ৰ ভিতৰত মাওবাদীক দেশৰ পৰা সম্পূৰ্ণৰূপে নিৰ্মূল কৰা হ'ব। ইয়াৰ উপৰিও মাওবাদীৰ আত্মসমৰ্পণৰ বাবে বিভিন্ন প্ৰৰোচনা আৰু পুনৰ্বাসনৰ ব্যৱস্থা কৰা হৈছে বুলিও তেওঁ কয়। কিন্তু লক্ষণীয় যে শ্বাহৰ এনে দাবীৰ বিপৰীতে বাস্তৱৰ সম্পূৰ্ণ বিপৰীত পৰিলক্ষিত হয়। শেহতীয়াকৈ মাওবাদীয়ে বিভিন্ন ৰাজ্যত নিৰাপত্তা বাহিনীক আক্ৰমণ কৰি হত্যা কৰিছে। যোৱা ৫ ডিচেম্বৰত ছত্তীশগড়ৰ নাৰায়ণপুৰত মাওবাদীৰ আক্ৰমণত এজন আৰক্ষী জোৱান নিহত হয়। ইয়াৰ পূৰ্বে ২১ নৱেম্বৰতো মুলুগুত দুজন স্থানীয় বাসিন্দাই প্ৰাণ হেৰুৱাবলগীয়া হয় মাওবাদীৰ হাতত। দেশত অব্যাহত থকা মাওবাদীৰ সন্ত্ৰাসৰ মাজত কেন্দ্ৰীয় গৃহমন্ত্ৰীৰ মাওবাদী নিৰ্মূলৰ দাবী কিদৰে বাস্তৱত পৰিণত হয় সেয়া সময়ত লক্ষণীয় হ'ব।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# জি-মেইলক প্ৰত্যাহ্বান জনাবলৈ আহিব

সংবাদ মাধ্যমত প্ৰকাশ পোৱা বাতৰি অনুসৰি ২০২৬ চনত এপলৰ প্ৰথমটো ভাঁজ কৰিব পৰা (ফল্ডেবল) আইফোন মুকলি কৰা হ'ব। ইয়াৰ পূৰ্বে ২০২৫ চনত আহিব পাৰে আল্ট্ৰা স্লিম মডেল 'আইফোন ১৭ এয়াৰ'। ইফালে এপলৰ এই ফল্ডেবল স্মাৰ্টফোনে আইফোন প্ৰেমীৰ দীৰ্ঘদিনীয়া অপেক্ষাৰ অন্ত পেলাই এক নতুন জোৱাৰ আনিব বুলি ধাৰণা কৰা হৈছে। লক্ষণীয় যে, ২০২৫ চনত আহিবলগীয়া আইফোন ১৭ এয়াৰক লৈ ইতিমধ্যে উত্তেজনা আৰম্ভ হৈছে। এইটো হ'ব এপলৰ আটাইতকৈ পাতল মডেল, যাৰ বহল মাত্ৰ ৬ মিলিমিটাৰ। ইয়াৰ তুলনাত বৰ্তমানৰ আইফোন মডেলসমূহৰ বহল ৮ মিলিমিটাৰ পৰ্যন্ত হয়। ইয়াৰ পিছফালে ৪৮ মেগাপিক্সেলৰ কেমেৰা আৰু আইফোন ১৬ ছিৰিজৰ দৰে শক্তিশালী কেমেৰা ছেটআপ থাকিব পাৰে। আইফোন প্ৰ' ছিৰিজৰ তুলনাত ইয়াৰ দাম কম হ'ব পাৰে, যিটো ক্ৰেতাৰ বাবে এক ডাঙৰ আকৰ্ষণ হ'ব পাৰে। লক্ষণীয় যে, ফল্ডেবল আইফোনৰ লগতে এপলে গ্ৰাহকৰ বাবে মুকলি কৰিবলৈ ওলাইছে এটা ফল্ডেবল লেপটপো। লেপটপটো খুলিলে ইয়াৰ স্ক্ৰীণ ১৯ ইঞ্চি হ'ব পাৰে। ফল্ডেবল আইফোনৰ ডিছপ্লে' আইফোন ১৬ প্ৰ' মেক্সতকৈ ডাঙৰ হ'ব। যদিও এপলে এই ডিভাইচসমূহৰ স্পেচিফিকেশন এতিয়াও ঘোষণা কৰা নাই, বিশেষজ্ঞসকলে কয় যে এই প্ৰজেক্টৰ কাম দ্ৰুত গতিত আগবাঢ়িছে। প্ৰণিধানযোগ্য যে, চেমছাং, ভিভ', এল জি, ৰানপ্লাছৰ দৰে ব্ৰেণ্ডে ইতিমধ্যে বজাৰত মুকলি কৰিছে তেওঁলোকৰ ফল্ডেবল স্মাৰ্টফোন। এনে পৰিপ্ৰেক্ষিতত এপলৰ ফল্ডেবল স্মাৰ্টফোনৰ আগমণে বজাৰত তীব্ৰ প্ৰতিযোগিতাৰ সৃষ্টি কৰিব বুলি সম্ভাৱনা ব্যক্ত কৰা হৈছে।

• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •
UniqueBorah.Com
88764 90887
নামভৰ্তিৰ বাবে ওপৰৰ নংত যোগাযোগ কৰক।



ডিকমত দুই শতাধিকে যোগ দিলে অগপত, ফটোঃ ই-সংবাদ, চাবুৱা-লাহোৱাল

**বিজেপিৰ বিধায়ক হেমাংগ ঠাকুৰীয়াৰ বিৰুদ্ধে গুৰুতৰ অভিযোগ**

# লণ্ডনত থকা ভাতৃৰ নামত কৰে ঠিকা!

**ই-সংবাদ, ১৬ ডিচেম্বৰঃ** এক ভাতৃ বিধায়ক, এক ভাতৃ ঠিকাদাৰ। তাতেই শাসকীয় দলৰ বিধায়ক। এতিয়া দুই ভাতৃক পাই কোনে? মাটিৰ দালালি কৰা বুলি বাৰে বাৰে অভিযোগ উত্থাপন হৈ অহাৰ পিছতে বিজেপি বিধায়ক হেমাংগ ঠাকুৰীয়াৰ বিৰুদ্ধে এইবাৰ আন এক গুৰুতৰ অভিযোগ উত্থাপন হৈছে। বিধায়ক হেমাংগ ঠাকুৰীয়াই লণ্ডনত থকা ভাতৃৰ নামত ঠিকা কৰাৰ অভিযোগ উঠিছে। পলাশবাৰী শেষাংশ ৪ পৃষ্ঠাত

# আৰক্ষীৰ নিদ্ৰা হৰণকাৰী দুই গো-মাফিয়া অৱশেষত জালত

**দুদিনত গ্ৰেপ্তাৰ হ'ল মোষ্ট ৱাণ্টেড দুই ভাতৃ**

**ই-সংবাদ, গোলকগঞ্জ, ১৬ ডিচেম্বৰঃ** ধুবুৰী জিলাৰ অসম-পশ্চিমবংগ সীমান্তত চোৰাং গৰু আৰু নিষিদ্ধ মাংসৰ অবৈধ ব্যৱসায়ৰে আৰক্ষীৰ নিদ্ৰা হৰণ কৰা আগমনি থানাৰ গড়েহাটৰ দুই মোষ্ট ৱাণ্টেড ভাতৃক আৰক্ষীয়ে দুদিনত গ্ৰেপ্তাৰ কৰা ঘটনাই তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে। পৰহি নিশা সহিদুল হকক বালাজান আৰক্ষীয়ে আটক কৰাৰ বিপৰীতে আজি কনিষ্ঠ ভাতৃ আমিনুৰ ৰহমানক গৌৰীপুৰ আৰক্ষীয়ে আটক কৰে। জানিব পৰা মতে, সহিদুল-আমিনুৰ দুই ভাতৃ চোৰাং গৰু আৰু নিষিদ্ধ মাংসৰ অবৈধ শেষাংশ ৪ পৃষ্ঠাত

# শিৱসাগৰ জিলাৰ ৰিৰিয়াত একেনিশাতে দহটা গৰু চুৰি

**ই-সংবাদ, শিৱসাগৰ, ১৬ ডিচেম্বৰঃ** অসম চৰকাৰে ৰাজ্যৰ হোটেল ৰেষ্টুৰেণ্ট আদিত গো-মাংস নিষিদ্ধ কৰি ৰাইজৰ দৃষ্টি আকৰ্ষণ কৰিছে যদিও পশুধন তথা গৰুৰ চোৰাং বেহা ৰোধ কৰাৰ ক্ষেত্ৰত সম্পূৰ্ণ মৌনতা অৱলম্বন কৰিছে। অসম চৰকাৰৰ এনে নীৰৱতা, গৃহ বিভাগে দেখিও নেদেখা শেষাংশ ৩ পৃষ্ঠাত



চামগুৰিৰ শিৱস্থান আৰু কনুৱামাৰীত বিধায়ক দিপ্লুৰঞ্জন শৰ্মাক সম্বৰ্ধনা

# ড্ৰাগছৰ বিৰুদ্ধে আৰক্ষীক কঠোৰ হোৱাৰ নিৰ্দেশ মন্ত্ৰী যোগেন মহনৰ

**ই-সংবাদ, সোণাৰি, ১৬ ডিচেম্বৰঃ** দিনক দিনে অপৰাধীৰ ৰম্যভূমিলৈ পৰিণত হৈছে চৰাইদেউৰ অসম-নাগালেণ্ড সীমান্তৱৰ্তী অঞ্চল। অপৰাধ জগতৰ লগত জড়িত একাংশ সমাজ বিৰোধী লোকে সোণাৰি নগৰক অপৰাধীৰ কৰিডৰ শেষাংশ ৯ পৃষ্ঠাত

# ভাই বোৱাৰীক নিৰ্যাতন, ৰঙাঘৰৰ আলহী সাংবাদিক

**ই-সংবাদ, গুৱাহাটী, ১৬ ডিচেম্বৰঃ** নিজৰ ভাই বোৱাৰীক শোৱা কোঠাত সোমাই শাৰীৰিক, মানসিকভাৱে নিৰ্যাতন চলোৱাৰ গোচৰত কামৰূপ জিলাৰ বাইহাটা চাৰিআলিৰ এজন ছেটেলাইট চেনেলৰ সাংবাদিকক আদালতে শেষাংশ ৪ পৃষ্ঠাত

# ডিকমত দুই শতাধিকে যোগ দিলে অগপত

**ই-সংবাদ, চাবুৱা-লাহোৱাল, ১৬ ডিচেম্বৰঃ** ৰাজ্যক শাসক-বিৰোধী দলে পঞ্চায়ত নিৰ্বাচনৰ বাবে কুচকাৱাজ অব্যাহত ৰখাৰ সময়তে আজি চাবুৱা-লাহোৱাল সমষ্টিত পঞ্চায়ত নিৰ্বাচনৰ ৰণশিঙা বজালে বিধায়ক পোনাকণ বৰুৱাই। বিগত শেষাংশ ৭ পৃষ্ঠাত

# ঘগ্ৰাপাৰত বন্য হস্তীৰ আক্ৰমণত দুজন আহত

**ই-সংবাদ, নলবাৰী, ১৬ ডিচেম্বৰঃ** দীৰ্ঘদিন ধৰি বৃহত্তৰ পূব নলবাৰী অঞ্চলত হাতীৰ জাকে সন্ত্ৰাস চলাই অহাৰ পিছতো হাতীৰ জাকটো খেদি পঠিয়াবলৈ সক্ষম হোৱা নাই বন বিভাগ। হাতী শেষাংশ ২ পৃষ্ঠাত

# মঙলদৈ গ্ৰন্থমেলাত গ্ৰন্থপ্ৰেমীক গ্ৰন্থ উপহাৰ অভিযন্তাৰ

**ই-সংবাদ, মঙলদৈ, ১৬ ডিচেম্বৰঃ** মঙলদৈ গ্ৰন্থমেলাৰ শনিবাৰে সফল সমাপ্তি পৰিল যদিও পোহৰলৈ আহিছে কেতবোৰ ইতিবাচক খবৰ। সাধাৰণতে সততে শুনা যায় যে অসমত লেখক আৰু কিতাপৰ সংখ্যা বাঢ়িছে যদিও কিতাপ কিনা লোক আৰু পঢ়ুৱৈৰ সংখ্যা হ্ৰাস পাইছে। একেদৰে গ্ৰন্থমেলাসমূহতো গ্ৰন্থ বিক্ৰী সন্তোষজনক নহয় বুলিও আক্ষেপ কৰা পৰিলক্ষিত হয়। কিন্তু বিগত ৮ ডিচেম্বৰৰ পৰা



১৪ ডিচেম্বৰলৈ অনুষ্ঠিত হোৱা মঙলদৈ গ্ৰন্থমেলাই এই ধাৰণা ভুল বুলি প্ৰতিপন্ন কৰিলে। কিয়নো মঙলদৈ প্ৰেছ ক্লাবৰ উদ্যোগত আৰু সদৌ অসম পুথি প্ৰকাশন আৰু বিক্ৰেতা সন্থাৰ সহযোগত চতুৰ্থবাৰৰ বাবে শেষাংশ ৭ পৃষ্ঠাত

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# জৰ্জিয়াত একেলগে প্ৰাণ গ'ল ১২

মৃত্যু ঘটে ভাৰতীয় নাগৰিক কেইজনৰ। এক বিবৃতিযোগে এই তথ্য প্ৰদান কৰে টিবিলিচিত থকা ইণ্ডিয়ান মিছনে। প্ৰাৰম্ভিক তদন্তত প্ৰকাশ পোৱা অনুসৰি বিদ্যুৎ উৎপাদনকাৰীৰ পৰা কাৰ্বন মনোক্সাইডৰ বিষক্ৰিয়াৰ ফলত এই ঘটনা সংঘটিত হয়। জানিব পৰা মতে নিহত আটাইকেইজনেই গুদৌৰীস্থিত ভাৰতীয় ৰেষ্টুৰেণ্টখনৰ কৰ্মচাৰী আছিল। ৰেষ্টুৰেণ্টখনৰ দ্বিতীয় মহলাৰ শোৱা কোঠাত উদ্ধাৰ হয় তেওঁলোকৰ মৃতদেহ। জৰ্জিয়াৰ আভ্যন্তৰীণ পৰিক্ৰমা মন্ত্ৰালয়ে জনোৱা মতে, শৰীৰ পৰীক্ষাৰ প্ৰাৰম্ভিক পৰ্যায়ত কোনো ধৰণৰ আঘাতৰ চিন পোৱা হোৱা নাই। ইণ্ডিয়ান মিছনে দাবী কৰা মতে ভুক্তভোগী আটাইকেইজন ভাৰতীয় নাগৰিক আছিল। অৱশ্যে জৰ্জিয়াৰ মন্ত্ৰালয়ে এই ঘটনাত ১১জন বিদেশী আৰু এজন জৰ্জিয়ান নাগৰিকৰ মৃত্যু ঘটা বুলি জানিবলৈ দিয়ে। ইফালে, ইণ্ডিয়ান মিছনে নিজৰ বিবৃতিত শোক প্ৰকাশ কৰাৰ লগতে নিহত পৰিয়াললৈ সমবেদনা জ্ঞাপন কৰে। বিবৃতিযোগে ইণ্ডিয়ান মিছনে কয়, "শেহতীয়াকৈ গুদৌৰীত ১২ জন ভাৰতীয় নাগৰিকৰ মৃত্যুৰ বিষয়ে মিছনে জানিব পাৰিছে। শোকসন্তপ্ত পৰিয়াললৈ গভীৰ সমবেদনা জ্ঞাপন কৰিছো। স্থানীয় কৰ্তৃপক্ষৰ সৈতে যোগাযোগ কৰা হৈছে আৰু সকলো ধৰণৰ সহায় আগবঢ়োৱা হ'ব।" অন্যহাতে, এই দুৰ্ঘটনা সন্দৰ্ভত জৰ্জিয়া দণ্ডবিধিৰ ১১৬ নং ধাৰাত গাফিলতিৰ ফলত হোৱা মৃত্যুৰ গোচৰ ৰুজু কৰি তদন্ত আৰম্ভ কৰা হৈছে। প্ৰাথমিক তদন্তত প্ৰকাশ পাইছে যে শুকুৰবাৰে নিশা বিদ্যুৎ বিচ্ছিন্ন হোৱাৰ পিছত বন্ধ ঘৰটোত এটা বিদ্যুৎ উৎপাদনকাৰী চুইচ অন কৰা হৈছিল। ঘটনাস্থলীত ফৰেনছিক বিশেষজ্ঞ উপস্থিত থকাৰ লগতে জড়িত লোকসকলক সোধা-পোছা কৰা হৈছে। মৃত্যুৰ সঠিক কাৰণ নিৰ্ণয় কৰিবলৈ ফৰেনছিক পৰীক্ষাৰ নিৰ্দেশ দিয়া হৈছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# কংগ্ৰেছত আৰু নাথাকিব ফেন ক্লাৱ!

জ্যেষ্ঠ নেতা নাৰাজ হৈ পৰিছে। ফেন ক্লাৱক লৈ কেৱল চৰ্চাই নহয়, দলৰ ৰাজনৈতিক পৰিক্ৰমা বিভাগৰ বৈঠকত এই বিষয়টো চৰ্চা হয়। কংগ্ৰেছৰ তত্বাৱধায়ক জীতেন্দ্ৰ সিঙৰ উপস্থিতিত গুৱাহাটী ৰাজীৱ ভৱনত অনুষ্ঠিত কংগ্ৰেছৰ ৰাজনৈতিক পৰিক্ৰমা সমিতিৰ বৈঠকত কংগ্ৰেছৰ নেতাৰ নামত চলাই থকা ফেন ক্লাৱক লৈ চৰ্চা কৰাৰ খবৰ পোৱা গৈছে। প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী তথা কংগ্ৰেছৰ জ্যেষ্ঠ নেতা পৱন সিং ঘাটোৱাৰে ৰাজনৈতিক পৰিক্ৰমা সমিতিৰ বৈঠকত ফেন ক্লাৱ সংস্কৃতিয়ে দলক ক্ষতি কৰাৰ অভিযোগ আনে। নেতাৰ ফেন ক্লাৱ চলোৱা নেতাসকলে দলতকৈ নেতাক গুৰুত্ব দি দলৰ ক্ষতি কৰাৰ অভিযোগ উত্থাপন কৰি নেতাৰ নামত ফেন ক্লাৱ চলোৱা নেতাসকলক দলত পদবী নিদিবলৈ দাবী উত্থাপন কৰিছে পৱন সিং ঘাটোৱাৰে। জানিব পৰা মতে, ভূপেন কুমাৰ বৰা, গৌৰৱ গগৈৰো ফেন ক্লাৱ আছে। ফেন ক্লাৱে নিজ নিজ নেতাৰ বিভিন্ন সমলসমূহ ফেচবুকৰ পেজ, গ্ৰুপ, হোৱাটছএপ গ্ৰুপ আদিত প্ৰচাৰ কৰে। গৌৰৱ গগৈৰ ফেন ক্লাৱে বৰ্ষপূৰ্তিৰ দিন উদযাপন কৰা কাৰ্যসূচীত খোদ গৌৰৱ গগৈ উপস্থিত থাকে। তাৰ মাজতে কংগ্ৰেছত ফেন ক্লাৱ সংস্কৃতি নিষিদ্ধ কৰাৰ বাতৰিয়ে বিশেষ চৰ্চা লাভ কৰিছে। ৰাজ্যিক কংগ্ৰেছৰ নেতাসকলৰ ফেন ক্লাৱ বন্ধ হ'ব নে নাই তাক লৈ এইপৰ্যন্ত কংগ্ৰেছে আনুষ্ঠানিক ঘোষণা দিয়া হয়।

■ ৬নং পৃষ্ঠাৰ পৰা...

# ডিকমত দুই শতাধিকে যোগ দিলে

কেইবাটাও দিনত বিজেপি কংগ্ৰেছৰ কেবাগৰাকী নেতা-নেত্ৰীয়ে যোগদান কৰাৰ দৰেই আজিও প্ৰায় দুই শতাধিক বিভিন্ন দলৰ নেতা-কৰ্মীয়ে অসম গণ পৰিষদত যোগদান কৰিছে। অগপৰ দখলত থকা চাবুৱা-লাহোৱাল সমষ্টিৰ বিধায়ক পোনাকণ বৰুৱাই পঞ্চায়ত নিৰ্বাচনক লৈ ব্যাপক তৎপৰ হোৱাৰ সময়তে আজি পুনৰ দুই শতাধিক লোকক দলটোত যোগদান কৰিছে। দিছপুৰ এৰি তৃণমূল পৰ্যায়ত দলৰ ভেটি মজবুত কৰিবলৈ দিনে-নিশাই সমষ্টিত সময়কটোৱা পোনাকণ বৰুৱাৰ উপস্থিতিত আজি যোগদান সভা অনুষ্ঠিত হয়। ডিকমত অনুষ্ঠিত যোগদান সভাত বিভিন্ন দলৰ দুই শতাধিক নেতা-কৰ্মীয়ে অসম গণ পৰিষদত যোগদান কৰিছে। ডিকম টাউনৰ ৰাজহুৱা প্ৰেক্ষাগৃহত অনুষ্ঠিত যোগদান কাৰ্যসূচীত বিজেপি-কংগ্ৰেছ দলৰ লগতে অন্যান্য দলৰ নেতা-কৰ্মীয়ে দলটোত যোগদান কৰিছে। বিধায়ক পোনাকণ বৰুৱা আৰু অগপৰ স্থানীয় নেতাসকলে দলটোত যোগদান কৰা নেতা-কৰ্মীসকলক একোখনকৈ ফুলাম গামোচা পিন্ধাই দলটোলৈ আদৰণি জনাইছে। বিধায়ক বৰুৱাই আজিৰ যোগদানে অগপৰ গণভিত্তি যে আছিল আৰু আছে সেই কথা প্ৰতিপন্ন কৰা বুলি কয়। দিন গৈ থাকে মানে অসমত অগপ দলৰ গণভিত্তি বাঢ়ি গৈ থাকিব বুলি দাবী কৰিছে বিধায়ক বৰুৱাই। অগপৰ ডিকমৰ স্থানীয় যুৱনেতা ৰাতুল গগৈয়ে অগপ দলটোৱে ৰাইজৰ মৰম-চেনেহৰ মাজত জীয়াই থকা দল বুলি উল্লেখ কৰি কয় যে অগপই সদায়েই ঐক্যত বিশ্বাসী দল বুলি কয়। অগপই জাতি, বৰ্ণ, ধৰ্মৰ নামত ৰাজনীতি নকৰে। সকলোকে সমমৰ্যাদা প্ৰদান কৰাৰ নীতিৰে অগপ দলে চাৰিটা দশক ৰাজনীতি কৰিছে আৰু অনাগত দিনত সমাজক এক কৰিবলৈ ৰাজনীতি কৰিব যাব। বিশেষকৈ চাবুৱা-লাহোৱাল সমষ্টিৰ ডিকম পঞ্চায়ত অগপৰ দখললৈ আনিবলৈ আহ্বান জনাইছে ৰাতুল গগৈয়ে। যোগদান সভাত অগপ নেত্ৰী অঞ্জলী গগৈ, সমাজকৰ্মী নিৰ্মল গগৈও উপস্থিত থাকে।

■ ৬নং পৃষ্ঠাৰ পৰা...

# মঙলদৈ গ্ৰন্থমেলাত গ্ৰন্থপ্ৰেমীক গ্ৰন্থ

সাদিনীয়াকৈ মঙলদৈ গান্ধী ময়দানত অনুষ্ঠিত হোৱা গ্ৰন্থমেলা আৰু ইয়াৰ সমান্তৰালকৈ আয়োজিত সাহিত্য-সংস্কৃতিমূলক অনুষ্ঠানত যথেষ্টসংখ্যক দৰ্শক আৰু গ্ৰন্থপ্ৰেমীৰ ভিৰৰ লগতে বিপণীসমূহত যথেষ্ট পৰিমাণে গ্ৰন্থ বিক্ৰী হোৱা ঘটনাই অন্ততঃ মঙলদৈ গ্ৰন্থমেলাই যে এই ক্ষেত্ৰত এক ইতিবাচক প্ৰভাৱ পেলাইছে সেয়া সকলোৱে একেমুখে স্বীকাৰ কৰিছে। বিশেষকৈ বিভিন্ন বয়সৰ গ্ৰন্থপ্ৰেমী লোকৰ সমাগমৰ উপৰি নতুন প্ৰজন্মৰ যথেষ্ট সংখ্যক যুৱক-যুৱতী বিপনিসমূহলৈ আহি নিজৰ নিজৰ পচন্দৰ পুথি ক্ৰয় কৰাটোৱে মঙলদৈ গ্ৰন্থমেলাই এক বিৰল দৃষ্টান্ত গঢ়া বুলি ক'ব পাৰি। ইয়াৰ লগতে গ্ৰন্থমেলাৰ সামৰণি দিনটোত দেখা গ'ল অইন এক ব্যতিক্ৰমী আৰু উৎসাহজনক পৰিঘটনা। যিটোৱে মঙলদৈ গ্ৰন্থমেলাৰ এই ইতিবাচক দিশটোক প্ৰদান কৰিলে এক বলিষ্ঠ মাত্ৰা। জন্ম সূত্ৰে মঙলদৈৰ এগৰাকী সু-সন্তান, দৰং জিলা পৰিষদৰ প্ৰাক্তন কাৰ্যবাহী অভিযন্তা আৰু বৰ্তমান বঙাইগাঁও জিলা পৰিষদৰ কাৰ্যবাহী অভিযন্তা হিচাপে কৰ্মৰত ভবেন বৰ্মনে গ্ৰন্থ ক্ৰয় আৰু অধ্যয়নৰ আন্দোলনটোলৈ প্ৰেৰণাদায়ক আৰু উদ্বনিমূলক সঁহাৰি যোগাই মঙলদৈ গ্ৰন্থমেলাৰ সামৰণিৰ দিনা সমাজৰ বিভিন্ন ক্ষেত্ৰৰ অৰ্ধশতাধিক নেতৃস্থানীয় লোকক তেওঁলোকৰ পচন্দ আৰু প্ৰয়োজন অনুসাৰে গ্ৰন্থমেলাথলীতে বাণী মন্দিৰ প্ৰকাশনৰ 'হেমকোষ', মুনীন্দ্ৰ দাসৰ 'জনজাতীয় উত্তৰণৰ ইতিহাস', সাহিত্য অকাডেমিৰ বঁটা প্ৰাপক জয়ন্ত মাধৱ বৰাৰ উপন্যাস 'মৰিয়াহোলা' আদি মূল্যবান মূল্যৱান গ্ৰন্থ ক্ৰয় কৰি উপহাৰ হিচাপে প্ৰদান কৰে। উপহাৰ লাভ কৰা লোকসকলৰ ভিতৰত আছিল মঙলদৈৰ বিশিষ্ট ৰক্তদাতা সমাজকৰ্মী শেখৰ মজুমদাৰ, সদৌ অসম ছাত্ৰ সন্থাৰ উপ-সভাপতি খনীন্দ্ৰ ৰাজবংশী, অসম সাহিত্য সভাৰ প্ৰাক্তন মুখপাত্ৰ তথা দৰং জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি ড০ চহিৰ ভূঞা, অসম বাৰ্তাজীৱী সংঘৰ সম্পাদক মুকুটৰাজ শৰ্মা,সদৌ দৰং জিলা ছাত্ৰ সন্থাৰ সভাপতি ৰাজু শৰ্মা, আপকুৰ দৰং জিলা সমিতিৰ সভাপতি,সাংবাদিক বাবুল মকছেদ আহমেদ, মঙলদৈৰ সংবাদদাতা অজয় কুমাৰ ডেকাৰ উপৰি আন বিভিন্ন গৰাকী সমাজ সচেতন ব্যক্তি। সকলোৱে ভবেন বৰ্মনৰ পদক্ষেপক শলাগ লৈছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ৰণোজ পেগুক গালি দিয়া বিজেপিৰ

তথা বিতৰ্কিত নেতাই। জনজাতীয় নেতাক গালি পাৰি পোনে পোনে প্ৰমোচন পাইছে বিজেপিৰ পালিনেতা আকাশ ফুকনে। বিজেপিৰ জ্যেষ্ঠ নেতা তথা কেবিনেট মন্ত্ৰী ডাঃ ৰণোজ পেগুক কুকুৰ কাইট নোখোৱাকৈ গালি পৰা আকাশ ফুকনক পদোন্নতি দিয়া হৈছে। এক কথাত ক'বলৈ গ'লে মিচিং জনগোষ্ঠীক প্ৰতিনিধিত্ব কৰা মন্ত্ৰী ৰণোজ পেগুক গালি পাৰি প্ৰমোচন পালে আকাশ ফুকনে। অসম ক্ৰীড়া বৰ্ডৰ উপাধ্যক্ষ আকাশ ফুকনৰ প্ৰভাৱ বৃদ্ধি কৰিলে দলে। এটা সমষ্টিৰ ৰিটাৰ্ণিং বিষয়াৰ দায়িত্ব প্ৰদান কৰা হৈছে। নিজ দলৰ জ্যেষ্ঠ নেতা তথা চৰকাৰৰ মন্ত্ৰীক মক্কেল, দালাল, ননচেন্স বুলি গালি দিয়াৰ অডিঅ' টেপ ভাইৰেল হোৱাত বিতৰ্কত সোমাই পৰা আকাশ ফুকনক তেজপুৰৰ নিৰ্বাচন চোৰা-চিতাৰ দায়িত্ব দিয়া হৈছে। এজন জনজাতীয় নেতাক গালি পৰাৰ পিছতো দলে ব্যৱস্থা লোৱাৰ পৰিৱৰ্তে পুৰস্কৃত কৰা হৈছে। জ্যেষ্ঠ মন্ত্ৰী পেগুক অশ্লীল ভাষাৰে গালি-গালাজ কৰাৰ পিছতে আকাশক ৰাজ্যিত বিজেপিয়ে মুখ্য কাৰ্যালয়লৈ তলব কৰিছিল। কিন্তু সেই দলীয় তলব গালো-বালো খোলকটিৰ তাল হৈ পৰিল। ৰাজ্যিক বিজেপিত অনুশাসন বোলা কথাটোৰ মৃত্যু যে হৈছে সেই কথাকে প্ৰতিপন্ন কৰি ৰাজ্যিক বিজেপিয়ে তেজপুৰত দলীয় কাম-কাজত নিয়োগ কৰিছে আকাশ ফুকনক। আকাশ ফুকনৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণৰ পৰিৱৰ্তে গুৱাহাটীৰ বাজপেয়ী ভৱনে পুৰস্কৃত কৰিলে। এজন ঠিকাদাৰৰ সৈতে বাৰ্তালাপ কৰি ৰণোজ পেগুক 'তাক' বুলি সম্বোধন কৰি আকাশ ফুকনে ঠিকাদাৰক কৈছিল যে তাৰ কথা মোৰ আগত নকবি। তই কি বুলি ভাবিছ। ৰণোজ পেগুৱে কি কৈছে বুলি বাৰে বাৰে ক'বলৈ কৈ আকাশ ফুকনে কৈছিল যে মোৰ নেতা ৰণোজ পেগু নহয়। মোৰ নেতা হিমন্ত বিশ্ব শৰ্মাহে। তই মোক চিনি পোৱা নাই। মই চিএমৰ ঘৰৰ নিচিনা বুলিও কৈছিল ফুকনে। সভ্য মানুহে ফোন টেপটো সম্পূৰ্ণকৈ শুনিব নোৱাৰে। কিয়নো প্ৰতিটো শব্দৰ পিছে পিছে আছে অশ্লীল কথা। এগৰাকী ঠিকাদাৰৰ সৈতে বাৰ্তালাপ কৰি মন্ত্ৰীক কুকুৰে কাঁইট নোখোৱাকৈ গালি পাৰি হিমন্ত বিশ্ব শৰ্মাৰ ঘনিষ্ঠ বুলি দাবী কৰিছিল আকাশে। কিন্তু বিজেপিয়ে পালিনেতা আকাশ ফুকনক দলৰ পৰা বহিস্কাৰ কৰাৰ পৰিৱৰ্তে পুৰস্কৃত কৰিলে। দলৰ জ্যেষ্ঠ নেতা তথা জনজাতীয় নেতা এগৰাকীক ইমান অভব্য-অশ্ৰাব্য গালি পৰা আকাশক নিলম্বনৰ পৰিৱৰ্তে দলে ৰিটাৰ্ণিং বিষয়া তথা সহ-প্ৰভাৱীৰ দায়িত্ব দিলে। বিজেপিয়ে তেজপুৰত ফুকনক নিয়োগ কৰি নিৰ্বাচনী বিষয়াৰ দায়িত্ব দিছে। ইপিনে আকাশ ফুকনক পদোন্নিত দিয়াত তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে যোৰহাটৰ সাংসদ গৌৰৱ গগৈয়ে। গৌৰৱ গগৈয়ে কয় যে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ ঘনিষ্ঠ তথা বিশ্বস্ত বিজেপি পালিনেতা আকাশ ফুকনে অসমৰ ভূমিপুত্ৰ মিচিং জনজাতিক অতি অশ্ৰাব্য কথাৰে গালি পৰা কাৰ্য চূড়ান্ত গৰিহণা যোগ্য আৰু এটা অপৰাধ। আচৰিত কথা যে পালিনেতাৰ এনে অশালীন আচৰণৰ পাছতো হিমন্ত বিশ্ব শৰ্মা চৰকাৰ তথা বিজেপি দলে কোনো ব্যৱস্থা গ্ৰহণ কৰা দেখা নাই। আচলতে এই কথাটোৱে অনুসূচিত জাতি-জনজাতিৰ লোকসকলক বিজেপি দল আৰু বিশেষভাৱে হিমন্ত চৰকাৰে হেয় জ্ঞান কৰা মানসিকতাক পুনৰ উদঙাই দেখুৱাইছে। ইপিনে এজন জনজাতীয় নেতা তথা জ্যেষ্ঠ মন্ত্ৰীক পালিনেতাই গালি-গালাজ কৰাৰ সাহস পোৱাত বিজেপি দলৰ ভিতৰচ'ৰাত ব্যাপক প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছিল। আকাশ ফুকনক লৈ দুবাৰ প্ৰতিক্ৰিয়া দিছে মুখ্যমন্ত্ৰীয়ে। মুখ্যমন্ত্ৰীয়ে কথাখিনি শুনি বেয়া লাগিছে বুলি কৈ আকাশ ফুকন বেয়া ল'ৰা নহয় বুলি কৈছিল। আকাশ ফুকন সমাজসেৱী ল'ৰা, ভাল ল'ৰা। যদি মানুহৰ মুখখন ভাল নাথাকে মানুহে বেয়া পায়। বিজেপি দলে বিচাৰে মানুহ সংস্কৃতিবান হওক। ডাঙৰক সন্মান কৰক, সৰুক মৰম কৰক। ৰণোজ পেগু আমাৰ এজন জ্যেষ্ঠ মন্ত্ৰী, তেওঁৰ বিষয়ে যিখিনি কৈছে কথাখিনি শুনি বেয়া লাগিছে। আকাশ ফুকনে ৰাজহুৱাকৈ ক্ষমা খুজিব লাগে। ৰণোজ পেগুৰ ঘৰলৈ গৈ ক্ষমা খুজিব লাগে। দলৰ পৰম্পৰা মতে চলিব লাগে। পূৰ্বে যিটো টেপ ভাইৰেল হৈছিল সেইটো কিমান সঁচা-মিছা মুখ্যমন্ত্ৰীয়ে নাজানো বুলি কৈছিল। টেপটোত যিবিলাক শব্দ ব্যৱহাৰ কৰা হৈছে তাৰ দ্বাৰা বিজেপিৰ যিকোনো সদস্যৰ বাবে শোভা নাপায়। যদি টেপটো সঁচা হয় তেন্তে বিজেপিৰ ৰাজ্যিক সভাপতিয়ে কঠোৰ অনুশাসনমূলক ব্যৱস্থা ল'ব আৰু টেপটোত যিবোৰ কথা-বতৰা কোৱা হৈছে সেইবোৰে ভাৰতীয় জনতা পাৰ্টীৰ কোনো সদস্যকে শোভা নাপায় বুলি কৈছিল মুখ্যমন্ত্ৰীয়ে। দেৰগাঁও সমষ্টিৰ বিজেপিৰ টিকটৰ দাবীদাৰ আকাশ ফুকনে এগৰাকী জনজাতীয় নেতা তথা জ্যেষ্ঠ মন্ত্ৰীক গালি দিয়াৰ ঘটনাক লৈ নিতৌ বিতৰ্ক বাঢ়ি গৈ আছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# সংসদত আজি এক দেশ এক নিৰ্বাচন

হোৱা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে সংসদত এতিয়া দন্তালিৰে গৃহীত কৰিব নোৱাৰে কোনো বিধেয়ক। এনে পৰিপ্ৰেক্ষিততে হঠাৎ পিছুৱাই দিয়া হৈছিল 'এক ৰাষ্ট্ৰ, এক নিৰ্বাচন' নীতি সম্পৰ্কীয় বিধেয়ক উত্থাপনৰ দিন। সোমবাৰে উত্থাপন কৰিবলগীয়া দুখনকৈ বিধেয়ক এদিন পূৰ্বে বাদ দিয়া হয় সংশোধিত তালিকাৰ পৰা। কিন্তু নিশাৰ ভাগত হঠাৎ শাসকীয় বিজেপিয়ে থ্ৰী লাইন হুইপ জাৰি কৰে। লগতে কাইলৈ অৰ্থাৎ মঙলবাৰে এই বিধেয়কখন উত্থাপন কৰাৰ কথাও সংসদীয় পৰিক্ৰমা দপ্তৰে স্পষ্ট কৰি দিয়ে। বিধেয়ক উত্থাপনৰ পিছতে জেপিচি গঠন হোৱাৰো পূৰ্ণ সম্ভাৱনা আছে। উল্লেখ্য যে, সোমবাৰে চৰকাৰে সংসদত উত্থাপন কৰাৰ কথা আছিল 'এক ৰাষ্ট্ৰ, এক নিৰ্বাচন' নীতিৰ সৈতে জড়িত দুখন অতি গুৰুত্বপূৰ্ণ বিধেয়ক- 'সংবিধান সংশোধনী (১২৯ সংখ্যক) বিধেয়ক- ২০২৪' আৰু 'কেন্দ্ৰীয় শাসিত আইন সংশোধনী বিধেয়ক- ২০২৪'। কিন্তু মাত্ৰ ২৪ ঘণ্টাৰ ভিতৰতে সংশোধিত তালিকাৰ পৰা এই বিধেয়ক দুখন আঁতৰাই পেলোৱা হয়। চৰকাৰৰ এনে অভাৱনীয় সিদ্ধান্তই ৰাজনৈতিক মহলত ব্যাপক জল্পনা-কল্পনাৰ সৃষ্টি কৰিছে। প্ৰণিধানযোগ্য যে, দীৰ্ঘদিন ধৰি মোদী চৰকাৰে 'এক ৰাষ্ট্ৰ, এক ভোট' নীতি ৰূপায়ণৰ কথা ঘোষণা কৰি আহিছিল। এই পদক্ষেপৰ জৰিয়তে সমগ্ৰ দেশতে একেলগে লোকসভা আৰু বিধানসভা নিৰ্বাচন অনুষ্ঠিত কৰাৰ পৰিকল্পনা কৰা হৈছিল। কিন্তু এতিয়া এনে এক পৰিস্থিতিৰ সৃষ্টি হৈছে য'ত চৰকাৰে এই গুৰুত্বপূৰ্ণ বিধেয়কসমূহ পিছলৈ ঠেলি দিছে। এদিন পূৰ্বে লোকসভা সচিবালয়ে এই বিধেয়ক দুখন আজি উত্থাপন কৰা হ'ব বুলি ঘোষণা কৰিছিল যদিও দেওবাৰে এই বিধেয়ক দুখনৰ নাম সংশোধিত তালিকাৰ পৰা বাদ দিয়া হয়। ৰাজনৈতিক বিশ্লেষকসকলৰ মতে, শাসকীয় মিত্ৰজোঁটৰ দলসমূহৰ ভিতৰত বিৰোধিতা আৰু বিৰোধী শিবিৰৰ হেঁচাত নৰেন্দ্ৰ মোদীয়ে এই বিধেয়ক উত্থাপনৰ দিন পিছুৱাবলৈ বাধ্য হৈছে। খবৰ অনুসৰি, জেডিইউকে ধৰি এন ডি এ মিত্ৰজোঁটৰ বহু দলে এই বিধেয়কক লৈ অসন্তুষ্টি ব্যক্ত কৰাৰ সমান্তৰালভাৱে এক ৰাষ্ট্ৰ, এক নিৰ্বাচনৰ বিৰোধিতা কৰি আহিছে বিৰোধী দলসমূহেও। তৃণমূল কংগ্ৰেছ, আৰ জে ডি, কংগ্ৰেছকে ধৰি বহু বিৰোধী দলে ইতিমধ্যে এই নীতিৰ বিপক্ষে নিজৰ স্থিতি স্পষ্ট কৰি দিছে। এনে পৰিস্থিতিত এই বিধেয়ক উত্থাপন কৰি দুয়োখন সদনত দুই তৃতীয়াংশ সহমত লাভ নকৰিব বুলি জানিয়েই এতিয়া নিজৰ সিদ্ধান্ত বিজেপিয়ে বাদ দিবলগীয়া হৈছে বুলি দাবী কৰিছে বিশ্লেষকসকলে। অন্যহাতে এই বিধেয়ক দুখন উত্থাপনৰ দিন পিছুৱাই অমিত শ্বাহে অসন্তুষ্ট মিত্ৰদলসমূহক সৈমান কৰিব বিচৰাৰ সময় লোৱা বুলিও সন্দেহ প্ৰকাশ কৰিছে একাংশই। এনে পৰিপ্ৰেক্ষিত মঙলবাৰে বিধেয়কখন উত্থাপনৰ পিছত কি পৰিস্থিতিৰ উদ্ভৱ হয় সেয়া সময়ত স্পষ্ট হৈ পৰিব।

Nucleomed- পেটচিটি স্কেন / PETCT Scan- 970701223

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# কইনাক শহুৰেকৰ ঘৰত থৈ ঘৰ

সংঘটিত হয় এক ভয়ংকৰ দুঘটনা। দুৰ্ঘটনাতো ইমানেই ভয়াৱহ আছিল যে চলন্ত অৱস্থাতে দলঙৰ পৰা উফৰি নদীৰ বুকুত ভয়াৱহভাৱে সোমাই পৰে AS-06 AK-8716 নম্বৰৰ এখন বাহন। দুৰ্ঘটনাত ইতিমধ্যে এজন যুৱকৰ থিতাতে মৃত্যু হোৱা বুলি জানিব পৰা গৈছে। লগতে বাহনখনত থকা আন চাৰিজন লোকক উদ্ধাৰ কৰি সংকটজনক অৱস্থাত অসম চিকিৎসা মহাবিদ্যালয়লৈ প্ৰেৰণ কৰে। মৃত যুৱকজন টেঙাখাট তামুলীখাতৰ ঈশান গগৈ বুলি জানিব পৰা গৈছে। আনহাতে, সংকটজনক অৱস্থাত চিকিৎসাধীন হৈ থকা আন চাৰিজন লোক ক্ৰমে অখিৰাজ গগৈ (২৮), ত্ৰিদীপ গগৈ (৩০), লাটু গগৈ (২৬) আৰু বিপ্লৱ গগৈ(২৮) বুলি আৰক্ষীয়ে জানিবলৈ দিছে। কেউজনে টেঙাখাট তামুলীখাটৰ পৰা ডিব্ৰুগড় বকুল মাজগাঁওলৈ কইনা থ'বলৈ বৰযাত্ৰী হিচাপে আহিছিল। কইনা থৈ নিজ গৃহলৈ বুলি উভতি যোৱা অৱস্থাতে এই পথ দুৰ্ঘটনাটো সংঘটিত হোৱা বুলি পৰা জানিব পৰা গৈছে। পুৱতি নিশা ঘন কুঁৱলীৰ বাবেই চেঁচা নদীৰ ওপৰত থকা দলঙৰ পৰা উফৰি বাহনখন নদীৰ বুকুত পৰাৰ সন্দেহ কৰা হৈছে। এই পথ দুৰ্ঘটনাৰ পিছতে শোকাকুল পৰিৱেশৰ সৃষ্টি হৈছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ধৰ্ষণকাৰীৰ যৌন হ'ৰমনৰ নিঃসৰণ

আবেদন দাখিল উচ্চতম ন্যায়ালয়ত। গুৰুতৰ ধৰ্ষণৰ গোচৰত দোষী সাব্যস্ত হোৱাৰ পিছত বিশেষ চিকিৎসাৰ জৰিয়তে যৌন হৰম'নৰ নিঃসৰণ বন্ধ কৰাৰ ব্যৱস্থা কৰা উচিত বুলি আদালতত প্ৰস্তাৱ আগবঢ়াইছে আবেদনকাৰীসকলে। এনেধৰণৰ অপৰাধৰ শাস্তিৰ অংশ হিচাপে ইয়াক গণ্য কৰিবলৈ দাবী উত্থাপন হৈছে। একে সময়তে মহিলাৰ ওপৰত হোৱা হিংসাৰ গোচৰত জামিন নিদিয়াৰ বিষয়টোও প্ৰস্তাৱ কৰা হৈছে। আইনী বাতৰি ৱেবছাইট 'বাৰ এণ্ড বেঞ্চ'ৰ এক প্ৰতিবেদন অনুসৰি উচ্চতম ন্যায়ালয়ৰ মহিলা অধিবক্তা সন্থাই দাখিল কৰিছে এই আবেদন। এই বিষয়ত কেন্দ্ৰ আৰু বিভিন্ন ৰাজ্যৰ মতামত বিচাৰি উচ্চতম ন্যায়ালয়ে জাননী জাৰি কৰিছে। ন্যায়াধীশ সূৰ্য কান্ত আৰু ন্যায়াধীশ উজ্জ্বল ভূঞাৰ বিচাৰপীঠে কয় যে দণ্ডবিধিৰ অভাৱসমূহ পুনৰীক্ষণ কৰাৰ প্ৰয়োজন আছে। আবেদনত উল্লেখ কৰা হৈছে যে উত্তৰ প্ৰদেশ, কৰ্ণাটক, মহাৰাষ্ট্ৰৰ দৰে ৰাজ্যত ধৰ্ষণ আৰু যৌন নিৰ্যাতনৰ গোচৰ যথেষ্ট বৃদ্ধি পাইছে। মহিলা, শিশু, তৃতীয় লিংগৰ বিৰুদ্ধে অপৰাধ ৰোধৰ বাবে দহ দফীয়া পৰিকল্পনা প্ৰস্তাৱ কৰা হৈছে। সংস্থাটোৰ দাবীসমূহৰ ভিতৰত আছে দোষী সাব্যস্ত হোৱা ধৰ্ষণকাৰীৰ ৰাষ্ট্ৰীয় তালিকা প্ৰস্তুত কৰা, তেওঁলোকৰ যৌন হৰম'নৰ নিঃসৰণ বন্ধ কৰাৰ বাবে চিকিৎসা প্ৰদান কৰা, অনিয়ন্ত্ৰিত পৰ্ণগ্ৰাফী বন্ধ কৰা, বিদ্যালয়ত সজাগতা বৃদ্ধি কৰা আদি। ইয়াৰ উপৰিও গুৰুতৰ যৌন নিৰ্যাতনৰ গোচৰত বিচাৰ প্ৰক্ৰিয়া সম্পূৰ্ণ কৰাৰ বাবে ছমাহৰ সময়সীমা নিৰ্ধাৰণ কৰাৰ লগতে জামিনবিহীনৰ নিয়ম প্ৰৱৰ্তনৰ দাবী উত্থাপন কৰা হৈছে। কৰ্মক্ষেত্ৰ, শিক্ষানুষ্ঠান আৰু ৰাজহুৱা স্থানত মহিলাৰ বাবে পৰ্যাপ্ত শৌচাগাৰৰ সুবিধা, আৰক্ষীৰ সঠিক আচৰণ, টেক্সি সেৱা আৰু কৰ্মক্ষেত্ৰত চিচিটিভি স্থাপনৰ বাবেও প্ৰস্তাৱ উত্থাপন কৰা হৈছে। আবেদনকাৰী সংস্থাটোৱে কয় যে দক্ষিণ কোৰিয়া আৰু ইণ্ডোনেছিয়াৰ দৰে দেশত এই ব্যৱস্থাৰ ফলত মহিলাৰ ওপৰত যৌন নিৰ্যাতন হ্ৰাস পাইছে। তেওঁলোকৰ মতে ভাৰততো এই ব্যৱস্থা ৰূপায়ণ হ'লে একেধৰণৰ ফলাফল পোৱা যাব।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# প্ৰিয়ংকাৰ কৌশলত বিব্ৰত শাসক পক্ষ

ৱায়ানাডৰ কংগ্ৰেছ সাংসদ প্ৰিয়ংকা গান্ধীয়ে। নিজৰ কৌশলী ৰাজনীতিৰে সোমবাৰে প্ৰিয়ংকাই বিবুধিত পেলালে শাসক পক্ষক। সংসদৰ প্ৰথম উদাত্ত ভাষণেৰে ৰাজনৈতিক বিশ্লেষকৰ দৃষ্টি আকৰ্ষণ কৰা গান্ধী পৰিয়ালৰ এইগৰাকী সদস্যই পুনৰ এবাৰ আজিৰ দিনটোত চৰ্চাৰ শিৰোনাম দখল কৰে। সোমবাৰে এফালে 'পেলেষ্টাইন' লিখা বেগ এটা লৈ সংসদ ভৱনত প্ৰৱেশ কৰি তেওঁ আন্তঃৰাষ্ট্ৰীয় মানৱ অধিকাৰ বিষয়ত নিজৰ স্থিতি স্পষ্ট কৰাৰ কৰে, আনফালে সদনৰ মজিয়াত বাংলাদেশত সংখ্যালঘু হিন্দুসকলৰ ওপৰত হোৱা আক্ৰমণ আৰু বিজেপি চৰকাৰৰ মৌনতাক তীক্ষ্ণ সমালোচনা কৰি হিন্দুত্ববাদৰ পৰিচয় দিয়ে প্ৰিয়ংকাই। উল্লেখ্য যে, সোমবাৰে লোকসভাৰ বিজয় উৎসৱৰ সময়ত কান্ধত 'পেলেষ্টাইন' লিখা থকা এটা বেগ লৈ প্ৰিয়ংকাৰ সংসদ ভৱনত প্ৰৱেশৰ পিছতে সৰৱ হৈ পৰে বিজেপি। বিজেপিৰ সাংসদসকলে প্ৰিয়ংকাৰ বিৰুদ্ধে 'সংখ্যালঘু তুষ্টিকৰণ'ৰ অভিযোগ উত্থাপন কৰে। তেওঁলোকে কয় যে গান্ধী পৰিয়ালে সদায় তুষ্টিকৰণৰ ৰাজনীতি চলাই আহিছে। বিজেপিৰ মুখপাত্ৰ সম্বিত পাত্ৰই প্ৰিয়ংকা আৰু কংগ্ৰেছক ইতিকিং কৰি কয়, "নেহৰু-গান্ধী পৰিয়ালৰ এনে আচৰণ নতুন কথা নহয়। জৱাহৰলালৰ পৰা প্ৰিয়ংকালৈকে সকলোৱে তুষ্টিকৰণৰ জোলোঙা এটা লৈ ঘূৰি ফুৰে। তেওঁলোকৰ কান্ধত জাতীয়তাবাদ বা দেশপ্ৰেমৰ জোলোঙা কেতিয়াও দেখা নাপাব।" কিন্তু প্ৰিয়ংকাক লৈ এই বিতৰ্ক দীঘলীয়া সময় চলাই নিয়াত ব্যৰ্থ হ'ল বিজেপি। সংসদৰ মজিয়াত বিজয় উৎসৱ উপলক্ষ্যে প্ৰিয়ংকাই প্ৰদান কৰা ভাষণে বাৰুকৈয়ে অস্বস্তিত পেলায় শাসক পক্ষক। নিজৰ ভাষণত প্ৰিয়ংকা গান্ধীয়ে ১৯৭১ চনৰ মুক্তিযুদ্ধত ভাৰতৰ বীৰত্ব আৰু প্ৰয়াত প্ৰধানমন্ত্ৰী ইন্দিৰা গান্ধীৰ অৱদানৰ কথা স্মৰণ কৰে। একে সময়তে আজিৰ বাংলাদেশত সংখ্যালঘু লোকৰ ওপৰত অব্যাহত থকা আক্ৰমণৰ উদ্ধৃতি দি কেন্দ্ৰীয় চৰকাৰৰ মৌনতাক তীব্ৰ সমালোচনা কৰে। তেওঁ কয় যে আজি বাংলাদেশতে সংখ্যালঘু লোকক আক্ৰমণ কৰা হৈছে। হিন্দু, খ্ৰীষ্টান আদি সম্প্ৰদায়ৰ লোকসকল হিংসাৰ বলি হৈয়েই আছে। এই সন্দৰ্ভত কিয় নিমাত ভাৰত চৰকাৰ? তেওঁৰ প্ৰশ্ন- "বাংলাদেশৰ সংখ্যালঘুৰ আক্ৰমণক লৈ কিয় কোনো ব্যৱস্থা লোৱা নাই ভাৰত চৰকাৰে?" সদনৰ মজিয়াত প্ৰিয়ংকাই দুটা গুৰুত্বপূৰ্ণ দাবী উত্থাপন কৰে- বাংলাদেশত সংখ্যালঘুৰ ওপৰত চলি থকা অত্যাচাৰ বন্ধ কৰিবলৈ ভাৰতৰ তাৎক্ষণিক হস্তক্ষেপ আৰু বাংলাদেশ প্ৰশাসনৰ সৈতে আলোচনাৰ জৰিয়তে সমস্যাৰ সমাধান। তেওঁ আৰু কয়, "১৯৭১ চনত ভাৰতীয় সেনাই পাকিস্তানক পৰাস্ত কৰি বাংলাদেশক মুক্ত কৰাৰ ঐতিহাসিক মুহূৰ্তৰ ঐতিহাসিক ফটোখনো আজি আঁতৰাই পেলোৱা হৈছে। এয়া কোনো কাৰণতে গ্ৰহণযোগ্য নহয়।" লক্ষণীয় যে, সোমবাৰে দুটা বিৰোধী বিষয়ক একত্ৰিত কৰি- এফালে পেলেষ্টাইনৰ প্ৰতি সমৰ্থন, আৰু আনফালে বাংলাদেশত হিন্দুৰ ওপৰত হোৱা আক্ৰমণৰ বিৰুদ্ধে মাত মাতি প্ৰিয়ংকা গান্ধীয়ে এনে এক ৰাজনৈতিক বাৰ্তা দিছে যিয়ে বিজেপিক এক দ্বিধাদ্বন্দ্বত পেলাইছে। বিজেপিয়ে তেওঁৰ বিৰুদ্ধে সংখ্যালঘু তুষ্টিকৰণৰ অভিযোগ উত্থাপন কৰে যদিও হিন্দু সংখ্যালঘু বিষয়ত তেওঁলোকৰ স্থিতিৰ ওপৰত প্ৰশ্ন উত্থাপন হোৱাত তেওঁলোকে ইয়াক প্ৰত্যক্ষভাৱে প্ৰতিহত কৰাত ব্যৰ্থ হয়। প্ৰিয়ংকাৰ এই তীক্ষ্ণ ৰাজনৈতিক পদক্ষেপ বিজেপিক বিভ্ৰান্ত আৰু অস্থিৰ কৰি তোলাত ফলপ্ৰসূ প্ৰমাণিত হোৱা পৰিলক্ষিত হয়। ইফালে, প্ৰিয়ংকা গান্ধীৰ সংসদীয় ৰাজনীতিৰ এনে উদাত্ত প্ৰৱেশৰ পিছত ৰাজনৈতিক বিশ্লেষকসকলে এতিয়া ক'বলৈ আৰম্ভ কৰিছে যে তেওঁৰ এই কৌশল কেৱল তেওঁৰ ৰাজনৈতিক জ্ঞানৰ প্ৰমাণ নহয়, সংসদত কংগ্ৰেছৰ সক্ৰিয় আৰু আক্ৰমণাত্মক ভূমিকাৰো প্ৰমাণ।

ROYAL CONSTRUCTION
MANUFACTURER OF
CEMENT BRICK, PAVER BLOCK, COLOR PAVER BLOCK, CEMENT TILES
FACTORY ADDRESS : TITKURI, KAMARGAON, RANGIA, KAMRUP(R)
CALL: +91 88 76 99 50 95, +91 99 57 41 80 39

## বিশিষ্ট অভিনেতা অতুল পাচনিক বিশেষভাৱে সম্বৰ্ধনা, কৃতী ছাত্ৰ-ছাত্ৰীক বৃত্তি প্ৰদান

# কোহিনুৰ যুৱক সংঘৰ হীৰক জয়ন্তীত বিশিষ্ট সাংবাদিক হাইদৰ হুছেইনক 'জীৱনজোৰা সাধনা' বঁটা



**ই-সংবাদ, নলবাৰী, ১৬ ডিচেম্বৰঃ** বৰ্তমান অসমত যুৱক সংঘ আৰু পুথিভঁৰালসমূহে মৃত্যুমুখী যাত্ৰা আৰম্ভ কৰিছে। ইয়াৰ বাবে যুৱ উচ্ছৃংখলতাই দায়ী বুলি কব পাৰি। সম্প্ৰতি অধিকাংশ যুৱক সংঘ মদ আৰু মাদক দ্ৰব্যৰ ঘাটিত পৰিণত হৈছে।- এই মন্তব্য বিশিষ্ট সাংবাদিক নিতুমণি শইকীয়াৰ। নলবাৰী জিলা ঘগ্ৰাপাৰৰ সমীপৰ গুৱাকুছি গাঁৱত স্থাপিত কোহিনুৰ যুৱক সংঘ আৰু পুথিভঁৰালৰ ৭৫ বৰ্ষ উপলক্ষে যোৱা ১১ ডিচেম্বৰ পৰা পাঁচদিনীয়াকৈ অনুষ্ঠিত কালিৰ মুকলি সভাত সাংবাদিকগৰাকীয়ে বিশিষ্ট অতিথি হিচাপে অংশগ্ৰহণ কৰি এখন দেশক কেতিয়াবা এজন ব্যক্তিয়ে প্ৰতিনিধিত্ব কৰে, আন কেতিয়াবা অনুষ্ঠানবোৰে প্ৰতিনিধিত্ব কৰে বুলি মন্তব্য কৰাৰ লগতে হীৰক জয়ন্তী উদযাপন কৰা কোহিনুৰ যুৱক সংঘই শতবৰ্ষ অনুষ্ঠিত কৰি নৱপ্ৰজন্মৰ মাজত একক আৰু অনন্য অৱদান আগবঢ়াব বুলি আশা প্ৰকাশ কৰে। নিজ ভাষণত সাংবাদিকগৰাকীয়ে বৰ্তমান অসমখন জটিল সন্ধিক্ষণ থকা বুলি উল্লেখ কৰি এটা অপশক্তিয়ে ভাষা, সাহিত্য আৰু সংস্কৃতি বিনষ্ট কৰিবলৈ অহৰহ চেষ্টা কৰি থকা বুলিও মন্তব্য কৰে। আনহাতে, সাংবাদিকগৰাকীয়ে বন্ধুৱে বিশ্বাসঘাতকতা কৰিব পাৰে, কিন্তু এখন কিতাপে সদায় বন্ধু হিচাপে কাম কৰি আহিছে বুলি মন্তব্য কৰে। বিশিষ্ট সাংবাদিকগৰাকীয়ে নিজ ভাষণত অসমত বৰ্তমান যোগাত্মক আৰু নঞাৰ্থক দুই ধৰণৰ সমাজ আছে বুলি আঙুলিয়াই দি ইয়াৰে যোগাত্মক সমাজে সৃষ্টিশীল উদ্ভাৱনীৰ ধাৰক-বাহক হিচাপে নেতৃত্ব দি আহিছে যদিও নঞাৰ্থক সমাজৰ নেতৃত্বৰ গাত সমন্বয় নাই বুলি দোহাৰে। নেতৃত্বই সদায় সমাজত শান্তি-সম্প্ৰীতিৰ বাণী বিলাব লাগে যদিও বৰ্তমান ইয়াৰ পৰিপন্থী প্ৰতিচ্ছবিহে দেখা পোৱা বুলি সাংবাদিকগৰাকীয়ে ক্ষোভ প্ৰকাশ কৰে। আবেলি ৪ বজাৰ পৰা হীৰক জয়ন্তী উদযাপন সমিতিৰ সভাপতি তাহেৰ উদ্দিন আহমেদৰ সভাপতিত্বত অনুষ্ঠিত হোৱা আনুষ্ঠানিকভাৱে মুকলি কৰে গুৱাকুছিৰ সুযোগ্য সন্তান তথা অষ্টেলিয়াত গৱেষণাৰত বৈজ্ঞানিক ৰাচিম ৰাজাই। তেওঁ ভাষণত কোহিনুৰ যুৱক সংঘ আৰু পুথিভঁৰালে আগন্তুক দিনত অঞ্চলটোত সমাজ পৰিৱৰ্তনত অগ্ৰণী ভূমিকা ল'ব বুলি আশা প্ৰকাশ কৰে। সভাত নিৰ্দিষ্ট বক্তা হিচাপে উপস্থিত থকা বিশিষ্ট সমালোচক ময়ূৰ বৰাই ভাষণ প্ৰসংগত নলবাৰী অঞ্চলৰ ৰাইজে সদায় সমাজৰ হকে কাম কৰি অহাৰ লগতে যুৱসমাজক শৃংখলিত কৰাত অগ্ৰণী ভূমিকা লৈ অহা বুলি উল্লেখ কৰি কোহিনুৰ যুৱক সংঘই এসময়ত সমগ্ৰ অসমৰ যুৱসমাজক নেতৃত্ব দিব পাৰিব বুলি আশা প্ৰকাশ কৰে। সভাত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকি সাংবাদিক নৰেশ কলিতাই গ্ৰাম্য সমাজত পুথিভঁৰাল আৰু সংঘৰ প্ৰাসংগিকতা দাঙি ধৰি কোহিনুৰ পুথিভঁৰালৰ কাম-কাজক প্ৰসংসা কৰে। সভাত শ্বাহ আলম আহমেদে সম্পাদনা কৰা 'কোহিনুৰ' স্মৃতিগ্ৰন্থখন উন্মোচন কৰে বি বৰুৱা কলেজৰ অৱসৰপ্ৰাপ্ত অধ্যাপক জগদীশ গোস্বামীয়ে। সভাত বিশিষ্ট সাংবাদিক, বুদ্ধিজীৱি হাইদৰ হুছেইনলৈ 'জীৱনজোৰা সাধনা সন্মান-২০২৪' সন্মান প্ৰদান কৰা হয়। এই সন্মান গ্ৰহণ কৰি জ্যেষ্ঠ সাংবাদিক হুছেইনে আৱেগিক হৈ পৰাৰ লগতে নলবাৰী জিলাৰ গ্ৰাম্যাঞ্চলত 'কোহিনুৰ' সংঘটো বহু প্ৰত্যাহ্বানৰ মাজতো সক্ৰিয় হৈ আছে বুলি মন্তব্য কৰে। এই সন্মানে জীয়াই থকাৰ বহু প্ৰেৰণা দিলে বুলিও তেওঁ কয়। সভাত বিশিষ্ট অভিনেতা অতুল পাচনিক বিশেষভাৱে সম্বৰ্ধনা জনোৱা হয়। এই সভাতে সংঘৰ সভাপতিৰ বৰঙণিৰে কৃতী ছাত্ৰ-ছাত্ৰী বৃত্তি প্ৰদান আৰু জামাল উদ্দিন আহমেদ মেম'ৰিয়েল ষ্ট্ৰাষ্টৰ পৰা দুখীয়া মহিলাসকলক কম্বল বিতৰণ কৰা হয়। ইয়াৰ পিছতে বঁটা বিতৰণ কৰা হয়। সভাৰ পূৰ্বে পুৱা সমাজকৰ্মী চোৰহাব আলীৰ তত্বাৱধানত গুৱাকুছি গাঁৱৰ জী-জোঁৱাই প্ৰীতি মিলন অনুষ্ঠান অনুষ্ঠিত কৰা হয়। অনুষ্ঠানটিৰ আঁত ধৰে উদযাপন সমিতিৰ যুটীয়া সম্পাদক লুটফুৰ ৰহমানে।

# চকলাঘাট উঃমাঃ বিদ্যালয়ত অন্ধবিশ্বাস দূৰীকৰণৰ সজাগতা সভা

**ই-সংবাদ, বেবেজীয়া, ১৬ ডিচেম্বৰঃ** নগাঁও জিলাৰ চকলাঘাট উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ উদ্যোগত বৰ্তমান ছাত্ৰ-ছাত্ৰীৰ বিদ্যায়তনিক ক্ষেত্ৰখনত সঠিক পথ নিৰ্ণয় কৰাত সহায় হ'বৰ বাবে অসমৰ বিশিষ্ট মটিভেটৰ আয়ুস প্লাবিক স্কুল, জখলাবন্ধা, নগাঁও আৰু আয়ুস ফাৰ্মাচী প্ৰতিস্থান, যোৰহাটৰ পৰিচালন সঞ্চালক প্ৰদ্যুম্ন দত্তৰ দ্বাৰা এক বিশেষ সভাৰ আয়োজন কৰা হয়। জ্যেষ্ঠ শিক্ষক উৎপল হাজৰিকাৰ তত্বাৱধানত ছাত্ৰ-ছাত্ৰীসকলে গায়ত্ৰী মন্ত্ৰৰে শুভাৰম্ভণি কৰা সভাখনিত সভাপতিত্ব কৰে বিদ্যালয় পৰিচালনা আৰু উন্নয়ন সমিতিৰ সভাপতি মনোৰঞ্জন বৰাই। বিদ্যালয়ৰ জ্যেষ্ঠ বিষয় শিক্ষয়িত্ৰী দিপ্তী বৰাই উদ্দেশ্য ব্যাখ্যা কৰা সভাখনিত বিশিষ্ট মটিভেটৰ গৰাকীয়ে সুন্দৰকৈ বৰ্তমানৰ প্ৰতিযোগিতামূলক ক্ষেত্ৰখনত ছাত্ৰ-ছাত্ৰী সকলে ভৱিষ্যত জীৱনৰ কৰ্মক্ষেত্ৰৰ উপযোগী হোৱাকৈ বিষয় নিৰ্বাচন কৰিবলৈ আহ্বান জনায়। বিশেষকৈ ইউ পি এছ চি, এ পি এছ চি আদি পৰীক্ষাসমূহৰ বাবে ছাত্ৰ-ছাত্ৰীয়ে কেনেকৈ বিদ্যালয় পৰ্যায়ৰ পৰাই নিজকে প্ৰস্তুত কৰিব পাৰিব তাৰ ব্যাখ্যা আগবঢ়ায়। ইফালে, আৰ্য্যভট্ট বিজ্ঞান কেন্দ্ৰৰ উদ্যোগত আৰু চকলাঘাট উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ সহযোগত অন্ধবিশ্বাস দূৰীকৰণ আৰু সজাগতাৰ ওপৰত অনুষ্ঠিত হোৱা সভাখনিৰ উদ্দেশ্য ব্যাখ্যা কৰে আৰ্য্যভট্ট বিজ্ঞান কেন্দ্ৰৰ সমন্বয়ক বিপুল ৰাজকুমাৰে। সভাত আদৰণি ভাষণ আগবঢ়ায় অধ্যক্ষ ৰঞ্জন তামুলীয়ে। অন্ধবিশ্বাস দূৰীকৰণ আৰু সজাগতাৰ ওপৰত মূল ভাষণ আগবঢ়ায় নগাঁও আনন্দ ৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যাপক তথা ইলোৰা বিজ্ঞান মঞ্চৰ সক্ৰিয় কৰ্মী অমৰেন্দ্ৰ শৰ্মাই। তেওঁ নিজৰ বক্তব্যত ছাত্ৰ-ছাত্ৰী সকলে সৰুৰে পৰাই অন্ধবিশ্বাস আৰু কুসংস্কাৰৰ বিৰুদ্ধে সজাগ থাকিবলৈ আহ্বান জনাই। আৰ্য্যভট্ট বিজ্ঞান কেন্দ্ৰৰ অন্য এগৰাকী সদস্য মৃগেন শৰ্মাইও চমু বক্তব্য আগবঢ়ায়। সভাত চকলাঘাট উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ নিকটৱৰ্তী বিদ্যালয় পলাশতল কাছমাৰী হাইস্কুল, হাতীচোং শঙ্কৰদেৱ বিদ্যা নিকেতন, হাতীচোং হাইস্কুল, গুড গাইডেন্স একাডেমী আৰু অৰুণোদয় জাতীয় বিদ্যালয়ৰ শিক্ষাৰ্থী আৰু শিক্ষাগুৰুয়ে অংশগ্ৰহণ কৰে। খগেন শইকীয়াই আঁত ধৰা সভাত শলাগৰ শৰাই আগবঢ়াই শিক্ষক শোণিত ৰঞ্জন হাজৰিকাই।

# মৰাণত দুৰ্ঘটনাত নিহত চেপন আৰক্ষী চকীৰ এছআই



**ই-সংবাদ, মৰাণ, ১৬ ডিচেম্বৰঃ** আজি পুৱা প্ৰাতঃভ্ৰমণৰ বাবে আহি অকালতে প্ৰাণ হেৰুৱালে এজন আৰক্ষী বিষয়াই। মৰাণত শোকাৱহ পথ দুৰ্ঘটনাত চেপন আৰক্ষী চকীৰ APRO. SI সুনীল দিহিঙীয়াৰ মৃত্যু হয়। পুৱা প্ৰাতঃভ্ৰমণৰ বাবে আন এজন ব্যক্তিৰ সৈতে শিৱসাগৰৰ দিশে খোজকাঢ়ি গৈ থকা অৱস্থাত মৰাণত একে দিশৰ পৰা গৈ থকা AS-06 AL-7736 নম্বৰৰ এখন মটৰ চাইকেলে প্ৰচণ্ড জোৰত খুন্দা মৰাৰ ফলত APRO. SI সুনীল দিহিঙীয়াই মূৰত আঘাতপ্ৰাপ্ত হৈ মৃত্যুক আঁকোৱালি লয়। দুৰ্ঘটনাটোত মুখেন গগৈ আৰু চালক ঔম বিভূতি বৰুৱাৰ লগতে মটৰ চাইকেলখনত উঠি যোৱা জিণ্টু মুৰাড়ী নামৰ লোককেইজনো আহত হৈছে। দুৰ্ঘটনা সংঘটিত কৰা মটৰ চাইকেলখনৰ আৰোহীজন মৰাণ জুনিয়ৰ কলেজৰ ছাত্ৰ ঔম বিভূতি বৰুৱা। তেওঁক আৰক্ষীয়ে আহত অৱস্থাত আটক কৰি চিকিৎসালয়ত ভৰ্তি কৰিছে।

# বৰপেটাৰোডত গাঞ্জাসহ এজন ধৃত

**ই-সংবাদ, বৰপেটাৰোড, ১৬ ডিচেম্বৰঃ** বৰপেটাৰোড আৰক্ষীৰ অভিযানত আজি দুপৰীয়া বৃহৎ পৰিমাণৰ গাঞ্জাসহ এজন সৰবৰাহকাৰীক আটক হয়। জব্দ কৰা গাঞ্জাখিনিৰ পৰিমাণ ৪ কিলো ৫০০গ্ৰাম। বৰপেটাৰোড আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া শ্যামল জ্যোতি শইকীয়াৰ নেতৃত্বত আজি দুপৰীয়া এটা আৰক্ষী দলে চলোৱা অভিযানত বৰপেটাৰোডত বৃহৎ পৰিমাণৰ গাঞ্জাসহ এজন সৰবৰাহকাৰীক বৰপেটাৰোড আৰক্ষীয়ে আটক কৰিবলৈ সক্ষম হয়। ধৃত গাঞ্জা ব্যৱসায়ীজন বৰপেটাৰোডৰ খৈৰাবাৰী চৰক পূজা মাঠৰ ওচৰৰ আনন্দ আৰ্য বুলি জানিব পৰা গৈছে। সৰবৰাহকাৰীৰ নিজ ঘৰৰ পৰা জব্দ কৰা হৈছে গাঞ্জাখিনি। জানিব পৰা অনুসৰি দীৰ্ঘদিন ধৰি আনন্দ আৰ্যই নিজ বাসগৃহৰ পৰাই দীৰ্ঘদিন ধৰি চলাই আহিছিল গাঞ্জাৰ বেহা। ইতিমধ্যে গাঞ্জা ব্যৱসায়ীটোক গ্ৰেপ্তাৰ কৰিছে বৰপেটাৰোড আৰক্ষীয়ে। ইয়াৰ পূৰ্বেও জে'ললৈ যাব লগা হৈছিল ধৃত গাঞ্জা ব্যৱসায়ী আনন্দ আৰ্য। সম্প্ৰতি আৰক্ষীয়ে ধৃত গাঞ্জা ব্যৱসায়ীজনক আটক কৰি সোধা-পোছা অব্যাহত ৰাখিছে।

## সেনাৰ অকৰ্তৃত্বশীল ভূমি দখলক লৈ শংকিত কাকপথাৰবাসী

# মহাবিদ্যালয়ৰ ভূমিত স্থায়ী টাৱাৰ নিৰ্মাণৰ যো-জা সেনাৰ

**ই-সংবাদ, কাকপথাৰ, ১৬ ডিচেম্বৰঃ** তিনিচুকীয়া জিলাৰ বৃহত্তৰ কাকপথাৰ অঞ্চলত উচ্চ শিক্ষাৰ অনুষ্ঠান কাকপথাৰ মহাবিদ্যালয়খন ১৯৯৫ চনত ৰাইজৰ সহযোগত স্থাপন কৰা হয়। পৰৱৰ্তী সময়ত চৰকাৰী নিয়ম অনুসৰি কনিষ্ঠ মহাবিদ্যালয় আৰু বিগত ২০২০ চনৰ নতুন শিক্ষা নীতি অনুসৰি জ্যেষ্ঠ মাধ্যমিক বিদ্যালয় ৰূপে মহাবিদ্যালয়খনে সেৱা আগবঢ়াই আছে। কিন্তু এই মহাবিদ্যালয়খনৰে ভূমি দখলত কৰাত নামিছে ভাৰতীয় সেনা। উল্লেখ্য যে, মহাবিদ্যালয়খনে কুমচাং চাহ বাগিচাৰ পৰা ১৫ বিঘা মাটিৰ আবণ্টন লাভ কৰিছিল। বিদ্যালয়ৰ নিচেই কাষতে থকা পৰ্যটন গৃহটো আজি বহু বছৰৰ পৰা ভাৰতীয় সেনা বাহিনীৰ চাউনী হিচাপে ব্যৱহাৰ কৰি আহিছে যদিও বৰ্তমান সেনা বাহিনীয়ে বিদ্যালয়খনৰো এক বৃহৎ অংশৰ মাটিত অস্থায়ী শিবিৰ সম্প্ৰসাৰণ কৰিছে। সম্প্ৰতি সেনাই শিবিৰ সম্প্ৰসাৰণ কৰা বিদ্যালয়ৰ মাটিত এটা টাৱাৰ নিৰ্মাণৰ কাম আৰম্ভ কৰিছে। এই নিৰ্মাণ কাৰ্যই মহাবিদ্যালয়খনৰ প্ৰায় দুবিঘা মাটি অধিগ্ৰহণ কৰিব। ইয়াকে লৈ এতিয়া শংকিত হৈ পৰিছে বিদ্যালয় কৰ্তৃপক্ষৰ লগতে স্থানীয় ৰাইজ। কিয়নো বিদ্যালয়খনত নতুনকৈ বাণিজ্য শাখা অন্তৰ্ভুক্ত কৰাৰ উপৰি বিজ্ঞান শাখাৰ বাবেও আবেদন জনোৱা হৈছে। এনে ক্ষেত্ৰত শ্ৰেণী কোঠা সম্প্ৰসাৰণৰ দিশটোত ভূমি অধিগ্ৰহণ কৰি ৰাখিলে অসুবিধাৰ সৃষ্টি হ'ব। কিন্তু এই স্পৰ্শকাতৰ বিষয়টো জিলা প্ৰশাসনক অৱগত কৰাৰ পাছতো বৰ্তমানলৈকে কোনো যথোচিত ব্যৱস্থা গ্ৰহণ নকৰাটোত উদ্বেগ প্ৰকাশ কৰিছে মহাবিদ্যালয় কৰ্তৃপক্ষই। এতিয়া জিলা প্ৰশাসনে বিষয়টো কিদৰে গ্ৰহণ কৰে সেয়া পৰৱৰ্তী সময়তহে লক্ষণীয় হ'ব।



শ্ৰীলংকাৰ ৰাষ্ট্ৰপতি অনুৰা কুমাৰা দিচানায়েকক আদৰণি ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মু আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ

# মাজুলীৰ ফুটুকীত আজৱ কাণ্ড, বিদ্যালয়লৈ সুৰা পান কৰি আহে শিক্ষক

**ই-সংবাদ, মাজুলী, ১৬ ডিচেম্বৰঃ** শিক্ষক সমাজক লজ্জিত কৰিছে মাজুলীৰ এজন শিক্ষকে।মাজুলীৰ ৮৫ নং ফুটুকী চাপৰি প্ৰাথমিক বিদ্যালয়লৈ সুৰা পান কৰি আহে এজন সহঃ শিক্ষকে। যাৰ ফলত বিদ্যালয়খনৰ শৈক্ষিক পৰিৱেশ বিনষ্ট হৈ আহিছে। ফুটুকী চাপৰি প্ৰাথমিক বিদ্যালয়ৰ ভগৱন্ত কামান নামৰ সহকাৰী শিক্ষকজনে বিদ্যালয় লৈ আহোঁতে সুৰা পান কৰি অহাৰ অভিযোগ দীৰ্ঘদিনীয়া। বিদ্যালয়খনৰ পাঠদান চলি থকা অৱস্থাত বিদ্যালয়লৈ সুৰা আনি সুৰাপান কৰা অভিযোগ উত্থাপন হৈছে শিক্ষকগৰাকীৰ বিৰুদ্ধে। শিক্ষকজনে আজি পুৱা বিদ্যালয়লৈ অহা অৱস্থাতে সুৰা পান কৰি অহাত বিদ্যালয়তে উত্তপ্ত পৰিস্থিতি সৃষ্টি হয়। সহকৰ্মী আৰু অভিভাৱকসকলে জনোৱা অনুসৰি বহুবাৰ কোৱাৰ পিছতো প্ৰতিদিনে বিদ্যালয়লৈ সুৰা পান কৰি আহে শিক্ষকগৰাকীয়ে। আৰু সুৰা পান কৰি আহি বিদ্যালয় প্ৰাংগণত পৰি থাকে শিক্ষক ভগৱন্ত কামান। যাৰ বাবে বিদ্যালয়খনৰ শৈক্ষিক পৰিৱেশ বিনষ্ট হোৱাৰ লগতে পাঠদানত বাধা আহিছে বুলি অভিযোগ উঠিছে। আজি মাজুলীত শিক্ষামন্ত্ৰীগৰাকীয়ে কেইবাটাও চৰকাৰী অনুষ্ঠানত অংশগ্ৰহণ কৰি থকা অৱস্থাতে মাজুলী শিক্ষকগৰাকীৰ এই কাণ্ডক লৈ মাজুলীৰ সচেতন মহলত তীব্ৰ প্ৰতিক্ৰিয়া সৃষ্টি হৈছে। মাজুলী শিক্ষা বিভাগে এইগৰাকী মদাহী শিক্ষকৰ ওপৰত কি ব্যৱস্থা গ্ৰহণ কৰে বা মদাহী শিক্ষক ভগৱন্ত কামানৰ বিৰুদ্ধে শিক্ষামন্ত্ৰীয়ে কি ব্যৱস্থা গ্ৰহণ কৰে সেয়া সময়ত লক্ষণীয় হ'ব।

# বালিজুৰিত ভয়ংকৰ অগ্নিকাণ্ড, ভস্মীভূত হ'ল একাধিক দোকান

**ই-সংবাদ, চতিয়া, ১৬ ডিচেম্বৰঃ** বিশ্বনাথ জিলাৰ চতিয়াৰ উত্তৰ অঞ্চলৰ বালিজুৰি চেণ্টাৰত আজি পুৱা সংঘটিত হয় এক ভয়ংকৰ অগ্নিকাণ্ডৰ ঘটনা। এই অগ্নিকাণ্ডত ব্যৱসায়িক কেন্দ্ৰস্থলৰ আঠখনকৈ ব্যৱসায়িক প্ৰতিষ্ঠান সম্পূৰ্ণৰূপে জ্বলি ভস্মীভূত হয়। অগ্নিকাণ্ডৰ কাৰণ এতিয়াও জানিব পৰা নাই যদিও হোটেল এখনৰ পৰা অগ্নিকাণ্ডৰ সূত্ৰপাত হোৱা বুলি অনুমান কৰা হৈছে। এই ভয়ংকৰ অগ্নিকাণ্ডত ক্ষতিগ্ৰস্ত হোৱা ব্যৱসায়িক প্ৰতিষ্ঠানসমূহ হ'ল হোটেল, জুৱেলাৰী, চাইকেল দোকান, অৰুণোদয় কেন্দ্ৰ আদি। পাছত কিছু পলমকৈ হ'লেও জামুগুৰিহাটৰ পৰা অগ্নি নিৰ্বাপক বাহিনীৰ গাড়ী ঘটনাস্থলীত উপস্থিত হৈ জুই নুমুৱাবলৈ সক্ষম হয়। অৱশ্য ফায়াৰ ছাৰ্ভিচৰ গাড়ী অহাৰ পূৰ্বে প্ৰতিষ্ঠানসমূহ প্ৰায় জ্বলি ভস্মীভূত হয়। এই অগ্নিকাণ্ডৰ ঘটনাত প্ৰায় কোটি টকাৰ সম্পত্তিৰ ক্ষতি হোৱা বুলি অনুমান কৰা হৈছে।



ডমাল স্পৰ্টছ খেলপথাৰত অনুষ্ঠিত হোৱা ফুটবল খেলত মন্ত্ৰী পীযুষ হাজৰিকা

## আৰক্ষীৰ জালত পৰিল হত্যাৰ অভিযুক্ত স্বামী ৰাহিদুল কৰিম

# বোৱাৰী হত্যাৰ অভিযোগক লৈ কলগাছিয়াৰ মৌলবীপাৰাত চাঞ্চল্য

**ই-সংবাদ, কলগাছিয়া, ১৬ ডিচেম্বৰঃ** বৰপেটা আৰু বজালীগাঁও জিলাৰ সীমামূৰীয়া অঞ্চল কোকিলা মৌলবীপাৰা গাঁৱত সংঘটিত হৈছে হত্যাকাণ্ডৰ ঘটনা। স্বামী ৰাহিদুল কৰিমে পত্নী মৰ্জিনা খাতুনক হত্যা কৰি আত্মহত্যাৰ ৰূপ দিয়াৰ চেষ্টা চলোৱা বুলি মৰ্জিনাৰ পৰিয়ালে অভিযোগ উত্থাপন কৰিছে। জানিব পৰা মতে, কোকিলা মৌলবীপাৰা গাঁৱৰ ফজলুল কৰিমৰ পুত্ৰ ৰাহিদুল কৰিম প্ৰায় ১২ বছৰ পূৰ্বে কোকিলা মাজৰচৰ গাঁৱৰ মজনুৰ ৰহমানৰ কন্যা মৰ্জিনা খাতুনৰ লগত ভালপাই বিবাহ পাশত আবদ্ধ হৈছিল। কিন্তু স্বামী ৰাহিদুল কৰিমে মৰ্জিনাক বিয়াৰ পিছৰে পৰাই যৌতুকৰ দাবীত চলাই আহিছিল শাৰীৰিক আৰু মানসিক অত্যাচাৰ। স্বামীৰ অত্যাচাৰ সন্দৰ্ভত কেইবাবাৰো সামাজিকভাৱে মীমাংসাও কৰি দিছিল অঞ্চলবাসী ৰাইজে। কিন্তু তাৰ পিছতো সমাজৰ নীতি-নিয়মক বুঢ়া আঙুলি দেখুৱাই ৰাহিদুল কৰিমে চলাই আহিছিল অত্যাচাৰ। যোৱা নিশা স্বামীয়ে পত্নীৰ ওপৰত অত্যাচাৰ চলাই হত্যা কৰি আত্মহত্যাৰ ৰূপ দিয়াৰ চেষ্টা চলোৱা বুলি আত্মীয়ই অভিযোগ কৰে। পিছে স্বামীয়ে অতি কৌশলগতভাৱে মৃত পত্নীক কলগাছিয়াস্থিত বৰপেটা অসামৰিক চিকিৎসালয়ত লৈ যায় যদিও চিকিৎসকে মহিলাগৰাকীৰ বহু পূৰ্বেই মৃত্যু হোৱা বুলি ঘোষণা কৰে। সেয়ে মৃত মৰ্জিনা খাতুনৰ পৰিয়ালৰ লোকে দাবী কৰিছে এয়া কোনো আত্মহত্যা নহয় এয়া এক পৰিকল্পিত হত্যাকাণ্ড। ইতিমধ্যে কলগাছিয়া আৰক্ষীয়ে সোধা-পোছাৰ বাবে স্বামী ৰাহিদুল কৰিমক আটক কৰি কলগাছিয়া আৰক্ষী থানালৈ লৈ যায়। ভুক্তভোগী পৰিয়ালৰ লোকে হত্যাকাৰী স্বামীক কঠোৰৰ পৰা কঠোৰ শাস্তি প্ৰদানৰ দাবী জনাইছে।

# বিশিষ্ট সমাজকৰ্মী হীৰেণ চন্দ্ৰ বৈশ্যৰ মৃত্যুত বংশৰত শোকৰ ছাঁ

**ই-সংবাদ, শুৱালকুছি, ১৬ ডিচেম্বৰঃ** কামৰূপ জিলাৰ বংশৰৰ সানপাৰা আদৰ্শ গাঁও নিবাসী সমাজকৰ্মী, ক্ষুদ্ৰ ব্যৱসায়ী হীৰেণ চন্দ্ৰ বৈশ্য(৭৪)ৰ আজি পুৱা ৪ বজাত নিজ বাসগৃহত বাৰ্ধক্যজনিত কাৰণত মৃত্যু হয়। আঞ্চলিকতাবাদীত বিশ্বাসী, সৎ, নিষ্ঠাৱান সমাজ কৰ্মী বৈশ্য এবছৰ ধৰি স্বাস্থ্যজনিত কাৰণত গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালত চিকিৎসা কৰি আছিল। আজি পুৱা বৈশ্যৰ মৃত্যুৰ খবৰ বিয়পি পৰাৰ লগে লগে অগণন গুণমুগ্ধ তেওঁৰ বাসগৃহত উপস্থিত হৈ নশ্বৰদেহত শেষ শ্ৰদ্ধা জনায়। সমাজকৰ্মীগৰাকী বংশৰ নৰমিলন সংঘ আৰু পুথিভঁৰালৰ প্ৰাক্তন সভাপতি, বংশৰ লাইট ফাগুৰ প্ৰাক্তন সভাপতি, সানপাৰা গাঁওৰক্ষী বাহিনীৰ প্ৰাক্তন সভাপতি, বংশৰ স্মৃতি জাগৰণ ভেলাঘৰ সমিতি উপদেষ্টা, বংশৰ ভাই ভাই নাগাৰা নাম পাৰ্টী, শ্ৰী শ্ৰী কৃষ্ণ লেংটা সত্ৰৰ উপদেষ্টা, বংশৰ দৌল উৎসৱ উদযাপন সমিতি, সদৌ বংশৰ সাৰ্বজনীন শাৰদীয় শ্ৰী শ্ৰী দুৰ্গা পূজা সমিতিৰ বিষয়ববীয়া, সদৌ বংশৰ ক্ৰীড়া সন্থাৰ প্ৰতিষ্ঠাপক সদস্য, বংশৰ ভৃংগেশ্বৰ প্ৰাথমিক বিদ্যালয়ৰ প্ৰতিষ্ঠাপক সদস্য, বংশৰ গৰখীয়া থান পৰিচালনা সমিতিৰ উপদেষ্টা, কামৰূপ দামোদৰ সংঘৰ আজীৱন সভ্য, সদৌ বংশৰ দামোদৰ সংঘৰ লগত ওতঃপ্ৰোতভাৱে জড়িত আছিল। মৃত্যুৰ সময়ত তেওঁ পত্নীসহ তিনি পুত্ৰ-বোৱাৰী, এগৰাকী জী-জোঁৱাই, নাতি-নাতিনীসহ বহু আত্মীয়-স্বজনক এৰি থৈ যায়।

# চৰাইদেউ জিলাত ৰাজসাহায্য বিতৰণ কাৰ্যসূচী সম্পন্ন

**ই-সংবাদ, সোণাৰি, ১৬ ডিচেম্বৰঃ** ৰাজ্যৰ জিলাসমূহৰ জনসাধাৰণৰ বাবে শিক্ষা, উদ্যোগ, বিত্ত, ৰাজহ আদি বিভাগৰ আঁচনিৰ সম্ভাৱেৰে অসম চৰকাৰৰ 'বিকাশৰ ১২ দিন' কাৰ্যসূচীৰ অন্তৰ্গত মাইক্ৰ'ফাইনেন্স উদগনি আৰু সকাহ আঁচনিৰ অধীনত বকেয়া শূন্য প্ৰমাণপত্ৰ বিতৰণ আৰু প্ৰধানমন্ত্ৰী ক্ষুদ্ৰ খাদ্য সংসাধন উদ্যোগৰ আনুষ্ঠানিকীকৰণ আঁচনিৰ অধীনত আজি চৰাইদেউ জিলা প্ৰশাসনৰ উদ্যোগত ৰাজসাহায্য বিতৰণ কাৰ্যসূচী অনুষ্ঠিত কৰা হয়। জিলাখনত সোণাৰি নগৰস্থিত ভগৱতী প্ৰসাদ বৰুৱা সোঁৱৰণী উচ্চতৰ মাধ্যমিক বিদ্যালয় খেলপথাৰত আয়োজিত এই অনুষ্ঠানত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰি অসম চৰকাৰৰ পৰিবহণ, পাৰ্বত্য অঞ্চল উন্নয়ন, সমবায়, খিলঞ্জীয়া আৰু জনজাতীয় বিশ্বাস বিভাগৰ মন্ত্ৰী যোগেন মহনে তেওঁৰ বক্তব্যত অসম চৰকাৰে মহিলা সবলীকৰণৰ দিশত বিভিন্ন শক্তিশালী পদক্ষেপ গ্ৰহণ কৰি আহিছে বুলি উল্লেখ কৰে। মাইক্ৰ'ফাইনেন্স কোম্পানীৰ পৰা ঋণ লৈ ৰাজ্যৰ বিশাল সংখ্যক মহিলাই পৰৱৰ্তী পৰ্যায়ত ঋণ পৰিশোধ কৰিব নোৱাৰি সৰ্বস্বান্ত হ'বলগীয়া হৈছিল বুলি উল্লেখ কৰি তেওঁ কয় যে অসম মাইক্ৰ'ফাইনেন্স উদগনি আৰু সকাহ আঁচনিৰ যোগেদি বৰ্তমানলৈ অসম চৰকাৰে বৰ্তমানলৈ ২,৩০৪ কোটি টকাৰ ঋণ পৰিশোধ কৰি ঋণগ্ৰস্ত মহিলাসকলক সকাহ প্ৰদান কৰিছে। মহিলাসকলক আৰ্থিকভাৱে স্বাৱলম্বী আৰু উদ্যোমী কৰাৰ উদ্দেশ্যে অসম চৰকাৰে প্ৰধানমন্ত্ৰী ক্ষুদ্ৰ খাদ্য সংসাধন উদ্যোগৰ আনুষ্ঠানিকীকৰণ আঁচনিৰ অধীনত ৰাজসাহায্য প্ৰদান কৰা বিষয়টো নিশ্চয়কৈ এক দূৰদৰ্শী পদক্ষেপ বুলিও তেওঁ উল্লেখ কৰে। আনহাতে, জিলাখনত বিভিন্ন প্ৰাকৃতিক দুৰ্যোগত ক্ষতিগ্ৰস্ত ৯,৫০২ গৰাকী হিতাধিকাৰীক আৰ্থিক সাহায্য বিতৰণ কৰাৰ ক্ষেত্ৰতো অসম চৰকাৰে ব্যৱস্থা গ্ৰহণ কৰিছে বুলি উল্লেখ কৰি তেওঁ কয় যে, ইয়াৰে ৩৩২৪ গৰাকীয়ে আৰ্থিক সাহায্যৰ ধন ইতিমধ্যে লাভ কৰিছে আৰু বাকীসকলে নিজ নিজ বেংক একাউণ্ট যোগেদি প্ৰাপ্য আৰ্থিক সাহায্য লাভ কৰিবলৈ সক্ষম হ'ব। অনুষ্ঠানত বিশিষ্ট অতিথি হিচাপে অংশগ্ৰহণ কৰি সোণাৰি সমষ্টিৰ বিধায়ক ধৰ্মেশ্বৰ কোঁৱৰে তেওঁৰ বক্তব্যত কয় যে, ৰাজ্যৰ যিসকল মহিলাই ব্যক্তিগত প্ৰতিষ্ঠান আৰু মাইক্ৰ'ফাইনেন্স কোম্পানীৰ পৰা ঋণ লৈ পৰিশোধ কৰিব নোৱাৰি জীয়াতু ভুগিছিল, তেওঁলোকৰ কষ্ট অনুধাৱন কৰি ২০২১ চনতে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই মুঠ ১২,৪০০ কোটি টকাৰ ঋণ পৰিশোধ কৰাৰ প্ৰতিশ্ৰুতি প্ৰদান কৰিছিল আৰু এই প্ৰতিশ্ৰুতি তেওঁ আখৰে-আখৰে পূৰণ কৰি আহিছে। আৰ্থিক স্বাৱলম্বিতা সুনিশ্চিত কৰাৰ দিশত ৰাজ্য চৰকাৰে গ্ৰহণ কৰা জনকল্যাণকামী আঁচনি আৰু পদক্ষেপ সমূহৰ বিষয়েও এক চমু অৱলোকন দাঙি ধৰে।

# বোন্দা-চপাইদঙত ৰঘুনাথ চৌধাৰী শাখা সাহিত্য সভা গঠন

**ই-সংবাদ, গুৱাহাটী, ১৬ ডিচেম্বৰঃ** মহানগৰীৰ নাৰেংগীৰ সমীপৰ বৃহত্তৰ বোন্দা-চপাইদং, বীৰকুছিৰ সাহিত্য সেৱী, সাহিত্য কৰ্মীসকলক লৈ কালি 'ৰঘুনাথ চৌধাৰী সাহিত্য সভা' নামেৰে অসম সাহিত্য সভাৰ এটি শাখা গঠন কৰা হয়। কালি সন্ধিয়া বীৰকুছিস্থিত এলডৰেডো ক্লাবত আহ্বায়ক কিৰণ চন্দ্ৰ মহন্তৰ সভাপতিত্বত এখনি সভা অনুষ্ঠিত হয়। সভাত জ্যেষ্ঠ সাহিত্যিক ছাঞ্চিৰাম পায়েং, পৰাগজ্যোতি প্ৰকাশনৰ সচিব, সাংবাদিক দীপক শৰ্মা, কৃষ্ণ কুমাৰ সাপকোটা প্ৰভৃতিয়ে বক্তব্য দাঙি ধৰি বৃহত্তৰ অঞ্চলটোত শাখা সাহিত্য সভাৰ প্ৰয়োজনিয়তাৰ ওপৰত আলোকপাত কৰে। সভাই সৰ্বসন্মতিক্ৰমে 'ৰঘুনাথ চৌধাৰী সাহিত্য সভা' নামেৰে এটি শাখা গঠন কৰে। সভাতে কিৰণ চন্দ্ৰ মহন্তক সভাপতি, প্ৰশান্ত গগৈ, দীপক শৰ্মাক উপ-সভাপতি, বৈকুণ্ঠ নাথ দাসক সম্পাদক, ৰুণুমী ৰংপী, হিতেশ চন্দ্ৰ দাসক সহকাৰী সম্পাদক, প্ৰদীপ কুমাৰ দত্তক কোষাধ্যক্ষ, অৰুণ বড়ো, কৃষ্ণ কুমাৰ সাপকোটাক পত্ৰিকা সম্পাদক, ৰূপেশ হাজং, কবিতা তালুকদাৰক সাংস্কৃতিক সম্পাদক, হিচাপে লৈ পূৰ্ণাংগ সমিতি গঠন কৰা হয়।

# জব্দ কৰা গৰু পুনৰ মোকলাই দিয়াক লৈ কচুৱাত প্ৰতিক্ৰিয়া

**ই-সংবাদ, কামপুৰ, ১৬ ডিচেম্বৰঃ** কচুৱা আৰক্ষীৰ বিৰুদ্ধে গুৰুতৰ অভিযোগ উত্থাপন কৰিছে সংখ্যালঘু সংগ্ৰাম পৰিষদৰ নগাঁও জিলা সমিতিয়ে। আৰক্ষীয়ে জব্দ কৰা গৰুভৰ্তি গাড়ী আৰু আটক কৰা লোকক এৰি দিয়াৰ বিৰুদ্ধে কচুৱা আৰক্ষীৰ বিৰুদ্ধে গৰজি উঠিছে সংগঠনটোৰ নেতাই। উল্লেখ্য যে শনিবাৰে নিশা নগাঁৱৰ কচুৱাত চোৰাং গৰু সৰবৰাহৰ বিৰুদ্ধে আৰক্ষীয়ে অভিযান চলাইছিল। অভিযান কালত কচুৱা আৰক্ষীয়ে ৯ খনকৈ গৰু ভৰ্তি টাটা ম'বাইল জব্দ কৰাৰ লগতে ১৮ জনকৈ লোকক আটক কৰিবলৈ সক্ষম হৈছিল। ৯ খনকৈ বাহনত জব্দ কৰা গৰুৰ সংখ্যা আছিল প্ৰায় ১০৮ টা। ৰহস্যজনকভাৱে আৰক্ষীয়ে জব্দ কৰা গৰুভৰ্তি গাড়ী আৰু আটক কৰা লোকক এৰি দিয়াৰ বিৰুদ্ধে প্ৰতিক্ৰিয়া ব্যক্ত কৰিছে সংখ্যালঘু সংগ্ৰাম সমিতিৰ নগাঁও জিলা সমিতিৰ সম্পাদক শ্বহিদুল ইছলামে। উল্লেখ্য যে যি সময়ত চৰকাৰে ৰাজ্যখনত গো-মাংস নিষিদ্ধ কৰিছে, তেনে সময়তেই নগাঁও জিলাৰ কচুৱাৰ মাজৰে পশ্চিম কাৰ্বি আংলং হৈ মেঘালয়লৈ গৰু সৰবৰাহ কৰাৰ অভিযোগ উত্থাপন কৰিছে শ্বহিদুল ইছলামে। এনেদৰে গৰু সৰবৰাহ কৰা আৰু আৰক্ষীয়ে জব্দ কৰা গৰু আৰু লোকক কিয় এৰি দিলে তাৰ এক উচিত তদন্তৰ দাবী জনাইছে সংগঠনটোৰ নেতৃত্বই।

## ‘অনুভূতি-প্ৰবৃত্তিৰ এচেৰেঙা কোমল ৰ'দত’ উন্মোচন

# নলবাৰীত সাহিত্য চৰ্চা কেন্দ্ৰ অসমৰ উদ্যোগত বিশেষ সাহিত্য অনুষ্ঠান

**ই-সংবাদ, নলবাৰী, ১৬ ডিচেম্বৰঃ** সাহিত্য চৰ্চা কেন্দ্ৰ, অসমৰ সৌজন্যত নলবাৰীৰ খাৰজাৰা আশ্ৰমৰ সমীপত কালি এক গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানৰ জৰিয়তে কবি-লেখক কবীন্দ্ৰ কুমাৰ ডেকাৰ ৰচিত গ্ৰন্থ 'অনুভূতি-প্ৰবৃত্তিৰ এচেৰেঙা কোমল ৰ'দত' উন্মোচন কৰা হয়। গ্ৰন্থখন আনুষ্ঠানিকভাৱে উন্মোচন কৰে ইউ এছ টি এমৰ সম উপাচাৰ্য বলেন্দ্ৰ কুমাৰ দাসে। সাহিত্য চৰ্চা কেন্দ্ৰ, অসমৰ সভাপতি তথা প্ৰাক্তন সাংসদ কুমাৰ দীপক দাসৰ সভাপতিত্বত অনুষ্ঠিত সভাত উন্মোচক দাসে কয় কবিন্দ্ৰ কুমাৰ ডেকাৰ এই গ্ৰন্থখন মানুহৰ সকলো ধৰণৰ অনুভূতিৰ সংপৃক্ত এখন গ্ৰন্থ। গ্ৰন্থখনে অসমীয়া ভাষা-সাহিত্যৰ ভঁৰালত এক নিৰ্দিষ্ট স্থান দখল কৰাটো নিশ্চিত। ৰামায়ণ মহাভাৰতৰ উদাহৰণ দাঙি ধৰি বিশিষ্ট বক্তাগৰাকীয়ে কয় যে গ্ৰন্থই প্ৰজন্মৰ পৰা প্ৰজন্মলৈ দেশ-দেশান্তৰলৈ ইতিহাসৰ সম্ভাৰ কঢ়িয়াই লৈ যায়। গ্ৰন্থৰ বাবেই আমি কৃষ্টি-সাংস্কৃতিকভাৱে আজিৰ এই পৰ্যায়ত উপনীত হ'ব পাৰিছো। আমাৰ সভ্যতাক বিশ্বৰ দৰবাৰত প্ৰদৰ্শন কৰিব পাৰিছো। দধিৰাম পথৰ গিৰিশ ভৱনত আয়োজিত অনুষ্ঠানত পুৱা অনুষ্ঠানৰ বন্তি প্ৰজ্বলন কৰে বিষ্ণুপ্ৰিয়া মণিপুৰী সাহিত্যৰ লগতে ইংৰাজী, অসমীয়া আৰু বাংলা ভাষাৰ বলিষ্ঠ লেখক দিলস লক্ষ্মীন্দৰ সিনহাই। ইয়াৰ পিছত গীত-মাত-নৃত্যৰে জীপাল কৰা অনুষ্ঠানত ভাষণ দিয়ে ড০ পৰিতোষ চক্ৰৱৰ্তীয়ে। চক্ৰৱৰ্তীয়ে গ্ৰন্থখনৰ জন্ম-যন্ত্ৰণাৰ কথা কৈ আৱেগিক হৈ পৰে। বিশ বছৰীয়া কষ্ট, চিন্তা, চৰ্চাৰ সাৰ্থক ৰূপ এই গ্ৰন্থখনত প্ৰকাশ পাইছে বুলি উল্লেখ কৰি চক্ৰৱৰ্তীয়ে কবিন্দ্ৰ ডেকা যে ভৱিষ্যত নলবাৰীৰ এগৰাকী তাৰকা সদৃশ হ'ব সেই কথাৰ নিশ্চিতি প্ৰদান কৰে। ডিজিটেল সংবাদ মাধ্যমৰ অন্যতম বাটকটীয়া ড০ ভাৰেশ দাসে আঁত ধৰা অনুষ্ঠানত কবিতা পাঠ কৰি উপস্থিত সকলোকে মোহিত কৰে অৱসৰপ্ৰাপ্ত ন্যায়াধীশ দাৰাকউল্লাহে। অনুষ্ঠানত কবিতা পাঠ কৰে বঙাইগাঁও কবি পৱিত্ৰ কুমাৰ নাথ, দীপক শৰ্মা মেধি আৰু কেবাগৰাকীও কবিয়ে। অনুষ্ঠানত নলবাৰীৰ বি এম গ্লোবেল অকাডেমিৰ ছাত্ৰীসকলে নৃত্য পৰিৱেশন কৰাৰ লগতে জবা চক্ৰৱৰ্তীয়ে গোৱালপৰীয়া লোকগীত পৰিৱেশন কৰে।

# কুশতলিত নামধৰ্মৰ জনজাতি সমাজৰ সোণালী জয়ন্তীৰ লাইখুঁটা স্থাপন

**ই-সংবাদ, লাহৰীঘাট, ১৬ ডিচেম্বৰঃ** শ্ৰীমন্ত শংকৰ গুৰু নামধৰ্ম জনজাতি সমাজ, অসমৰ সোণালী জয়ন্তী আৰু অধিৱেশনৰ আজি লাইখুঁটা স্থাপন কৰা হয়। নাম কীৰ্ত্তন আৰু মাংগলিক নিয়মেৰে মৰিগাঁও জিলাৰ কুশতলি সাৰ্বজনীন ৰাসমন্দিৰ লক্ষীৰাম পাটৰ সোঁৱৰণী ক্ষেত্ৰত আজি এই লাইখুঁটা স্থাপন কৰে সমাজৰ ভকত বৈষ্ণৱসকলে। সমাজৰ উত্তৰ মাগুলিকৰ সৌজন্যত আগন্তুক ২০২৫ বৰ্ষৰ ১৯, ২০ আৰু ২১ জানুৱাৰীত তিনিদিনীয়াকৈ অনুষ্ঠিত হ'ব শ্ৰীমন্ত শংকৰ গুৰু নামধৰ্ম জনজাতি সমাজ, অসমৰ ২৫ সংখ্যক দ্বি-বাৰ্ষিক কেন্দ্ৰীয় সোণালী জয়ন্তী আৰু অধিৱেশন। এই উপলক্ষে আজি ধৰ্মীয় ৰীতি-নীতিৰে স্থাপন কৰা হয় অনুষ্ঠানৰ মূল পৰ্বৰূপে লাইখুঁটা। আজিৰ কাৰ্যসূচীত সমাজৰ বিভিন্ন প্ৰান্তৰ পৰা বাপ, আইমাতৃসকলে অংশগ্ৰহণ কৰে। একেদৰে তিৱা স্বায়ত্ত পৰিষদৰ উপাধ্যক্ষ, অভ্যৰ্থনা সমিতিৰ সভাপতি অংকুৰ দেউৰী, সমাজৰ পদাধিকাৰ প্ৰদীপ কুমাৰ বৰদলৈ, প্ৰধান সম্পাদক সোণধৰ বৰদলৈ, শৰণাচাৰ্যকে ধৰি বহু কেইগৰাকী কেন্দ্ৰীয় বিষয়ববীয়া উপস্থিত থাকে। আগন্তুক সোণালী জয়ন্তী আৰু অধিৱেশনত ৰাইজৰ সহযোগিতা কামনা কৰিছে অভ্যৰ্থনা সমিতিয়ে।

# ডিব্ৰুগড় জিলাত প্ৰথম পৰ্যায়ত ৪টা বিধানসভা সমষ্টিত ৰেচন কাৰ্ড বিতৰণ

**ই-সংবাদ, ডিব্ৰুগড়, ১৬ ডিচেম্বৰঃ** অসমৰ আন আন বিধানসভা সমষ্টিসমূহৰ লগতে ডিব্ৰুগড় জিলাৰ ৮৭ নং চাবুৱা-লাহোৱাল বিধানসভা সমষ্টি, ৮৯ নং খোৱাং বিধানসভা সমষ্টি, ৯১ নং টিংখাং বিধানসভা সমষ্টি আৰু ৯২ নং নাহৰকটীয়া বিধানসভা সমষ্টিত আজি নতুন ৰেচন কাৰ্ড বিতৰণৰ প্ৰথম পৰ্যায়ৰ আনুষ্ঠানিক কাৰ্যসূচী অনুষ্ঠিত হয়। প্ৰথম পৰ্যায়ৰ নতুন ৰেচন কাৰ্ড বিতৰণ কাৰ্যসূচীত ৮৭ নং চাবুৱা-লাহোৱাল বিধানসভা সমষ্টিত ১৬,০০৫ গৰাকী হিতাধিকাৰী নতুনকৈ সংযোজিত কৰি নতুন ৩৯৪২ টা পৰিয়ালক, ৮৯ নং খোৱাং বিধানসভা সমষ্টিত ১৩,৮১৬ গৰাকী হিতাধিকাৰীক নতুনকৈ সংযোজিত কৰি নতুন ২৩০৩ টা পৰিয়ালক, ৯১ নং টিংখাং বিধানসভা সমষ্টিত ১৩৫৫৩ গৰাকী হিতাধিকাৰীক নতুনকৈ সংযোজিত কৰি ৩১২০ টা পৰিয়ালক আৰু ৯২ নং নাহৰকটীয়া বিধানসভা সমষ্টিত ১৩৬২১ গৰাকী হিতাধিকাৰীক নতুনকৈ সংযোজিত কৰি ২৯৫৮ টা পৰিয়ালক ৰেচন কাৰ্ড বিতৰণ কৰা হয়। প্ৰথম পৰ্যায়ৰ নতুন ৰেচন কাৰ্ড বিতৰণ কাৰ্যসূচীত চাবুৱা-লাহোৱাল বিধানসভা সমষ্টিত বিধায়ক পোনাকণ বৰুৱা আৰু বিনোদ হাজৰিকা, খোৱাং বিধানসভা সমষ্টিত চক্ৰধৰ গগৈ, টিংখাং বিধানসভা সমষ্টিত উদ্যোগ, বাণিজ্য আৰু ৰাজহুৱা প্ৰতিষ্ঠান আদি বিভাগৰ মন্ত্ৰী তথা টিংখাং বিধানসভা সমষ্টিৰ বিধায়ক বিমল বড়া আৰু নাহৰকটীয়া সমষ্টিৰ বিধায়ক তৰংগ গগৈয়ে হিতাধিকাৰীসকলৰ মাজত ৰেচন কাৰ্ড বিতৰণ কাৰ্যসূচীৰ শুভাৰম্ভ কৰে।

# চামগুড়িৰ গ্ৰামাঞ্চলত বন্যহস্তীৰ উপদ্ৰৱ, ভাঙিলে তিনিটাকৈ বাসগৃহ

## ৰাইজে কটাইছে বিনিদ্ৰ ৰজনী, নিৰ্বিকাৰ বন বিভাগ

**ই-সংবাদ, পুৰণিগুদাম, ১৬ ডিচেম্বৰঃ** খাদ্যৰ সন্ধানত বনাঞ্চলৰ পৰা জনাঞ্চলত প্ৰৱেশ কৰা বনৰীয়া হাতীয়ে নগাঁও জিলাৰ শালনা বনাঞ্চলিক কাৰ্যালয়ৰ অধীনৰ উদমাৰি উপ-খণ্ড বন কাৰ্যালয়ৰ অন্তৰ্গত চামগুড়িৰ বিভিন্ন অঞ্চলত এক আতংকময় পৰিস্থিতি সৃষ্টি কৰাত ৰাইজে উজাগৰী নিশা পাৰ কৰিবলগাত পৰিছে। উদমাৰি উপ-খণ্ড বন কাৰ্যালয়ৰ অন্তৰ্গত শিঙিয়া ভকতগাঁও, কেকোঁৰাচুক, শিঙিয়া মাজৰআটি, চামগুড়ি বৰালীগাঁও, হেমাৰবড়ী, আমনিগাঁও,তেলিয়াগাঁও, ভীমৰগাঁও,মিকিৰহাট হাটিগাঁও, পদুমণি, ভৰাগুৰি, ডিলকাবস্তী, ভেলেউগুৰিকে ধৰি বিভিন্ন অঞ্চলত বনৰীয়া হাতীয়ে নিশা হ'লেই উপদ্ৰৱ চলাই আহিছে। বিগত সময়ত চামগুড়িৰ বিভিন্ন অঞ্চলত বন্যহস্তীয়ে উপদ্ৰৱ চলাই বহুলোকৰ বাসগৃহৰ লগতে ধানৰ ভঁৰাল আৰু পাকঘৰ ভাঙি তহিলং কৰিছে। ইয়াৰ পূৰ্বেও শালনা বনাঞ্চলিক কাৰ্যালয়ৰ অধীনৰ উদমাৰী উপ-খণ্ড বন কাৰ্যালয়ৰ অন্তৰ্গত গ্ৰামাঞ্চল সমূহত বনৰীয়া হাতীয়ে কেইবাজনো লোকৰ বাসগৃহ ভাঙি লণ্ড-ভণ্ড কৰিছিল। শালনা বনাঞ্চলিক কাৰ্যালয়ৰ অধীনৰ উদমাৰী উপ-খণ্ড বন কাৰ্যালয়ৰ অন্তৰ্গত গ্ৰামাঞ্চল সমূহত বনৰীয়া হাতীয়ে বহু লোকৰ বাসগৃহ ভাঙি লণ্ড-ভণ্ড কৰাৰ লগতে বাৰীৰ কলগছ, নাৰিকল গছ আদিকে ধৰি কৃষিপথাৰত বিঘাই-বিঘাই ধানখেতি খোৱাৰ লগতে নষ্ট কৰিছে।যোৱা নিশা মিকিৰহাট কিচামতৰ মাধৱ বৰা আৰু পদুম বৰাৰ ঘৰত বনৰীয়া হাতীয়ে প্ৰৱেশ কৰি বাসগৃহ আৰু ধানৰ ভঁৰালঘৰ ভাঙি তহিলং কৰাৰ লগতে গাঁওখনৰ কেইঘাৰ মানুহৰ বাৰীত উপদ্ৰৱ চলায়। ইফালে, যোৱা নিশা বনৰীয়া হাতীয়ে ভৰাগুৰি গাঁৱৰ ললিত জমিদাৰৰ পাকঘৰ ভাঙি লণ্ড-ভণ্ড কৰে। বনৰীয়া হাতীয়ে উক্ত অঞ্চল সমূহৰ পথাৰৰ ধানখেতি খোৱাৰ লগতে গছকি-ফেনেকি বিষ্টৰ ক্ষতিসাধন কৰিছে। ঘন জনবসতিপূৰ্ণ সমগ্ৰ অঞ্চলটোত বনৰীয়া হাতীয়ে উপদ্ৰৱ চলাই আহিছে যদিও আজি পৰ্যন্ত বন বিভাগে হাতীকেইটা পাহাৰলৈ খেদি পঠাবলৈ সক্ষম হোৱা নাই। যাৰ ফলত উক্ত অঞ্চলৰ ৰাইজে উজাগৰী নিশা কটাবলগাত পৰিছে। আনহাতে, বনৰীয়া হাতীয়ে উক্ত অঞ্চল সমূহত কেইবাবছৰ ধৰি বহুলোকৰ বাসগৃহ আৰু ভঁৰালঘৰ ঘৰ ভাঙি বিষ্টৰ ক্ষতিসাধন কৰিছে যদিও বৰ্তমানলৈকে বন বিভাগৰ তৰফৰ পৰা ক্ষতিপূৰণ পোৱা নাই বুলি অভিযোগ উঠিছে।

# লম্বেশ্বৰ চেতিয়া তিনিচুকীয়া জিলা সাহিত্য সভাৰ নতুন সভাপতি নিৰ্বাচিত

## নৱনিৰ্বাচিত সভাপতিক সাহিত্যপ্ৰেমীৰ শুভেচ্ছা, সন্তুষ্টি প্ৰকাশ

**ই-সংবাদ, ডুমডুমা, ১৬ ডিচেম্বৰঃ** তিনিচুকীয়া জিলা সাহিত্য সভাৰ ২০২৫-২৭ বৰ্ষৰ কাৰ্যকালৰ সভাপতি হিচাপে নিৰ্বাচিত হৈছে  তিনিচুকীয়া চহৰৰ সমীপৰ পানীতোলাৰ নিবাসী লম্বেশ্বৰ চেতিয়া। জিলা সাহিত্যসভাৰ প্ৰাক্তন উপ-সভাপতি (২০১৭-২০১৯) আৰু অসম বিদ্যাপীঠ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ সহ: শিক্ষক, উপাধ্যক্ষ আৰু অধ্যক্ষ হিচাপে কাৰ্যনিৰ্বাহ কৰি ২০১২ চনৰ ২৯ ফেব্ৰুৱাৰীত অৱসৰ গ্ৰহণ কৰা চেতিয়াই পুনৰ চৰকাৰী নীতিৰে ৰাজ্যিক কৃতী শিক্ষকৰ বঁটাৰেও সন্মানিত হৈছিল। ১৯৫২ চনৰ ১ মাৰ্চত জন্মগ্ৰহণ কৰা লম্বেশ্বৰ চেতিয়াই ১৯৬৮ চনত পানীতোলা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ পৰা হাইস্কুল শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ হৈ ১৯৬৯ চনত তিনিচুকীয়া মহাবিদ্যালয়ৰ পৰা প্ৰাক বিশ্ববিদ্যালয় আৰু ১৯৭৩ ডিব্ৰুগড় কানৈ মহাবিদ্যালয়ৰ পৰা স্নাতক ডিগ্ৰী অৰ্জন কৰি ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ পৰা ক্ৰমে বি এড আৰু অসমীয়া বিষয়ত স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰিছিল। ২০০৯ চনত ডিব্ৰুগড় জিলাৰ কৃতী শিক্ষক, ২০১১ চনত ৰাজ্যিক কৃতী শিক্ষক আৰু ২০১৪ চনত অসম চৰকাৰৰ সাহিত্যিক বটাঁৰে সন্মানিত হোৱা লম্বেশ্বৰ চেতিয়াই পানীতোলা শাখা সাহিত্য সভাৰ পত্ৰিকা সম্পাদক আৰু সভাপতি পদত কাৰ্যনিৰ্বাহ কৰাৰ লগতে তিনিচুকীয়া জিলা সাহিত্য সভাৰ একবিংশতিতম দ্বি-বাৰ্ষিক অধিৱেশনৰ কাৰ্যকৰী সভাপতি, ৭৪ সংখ্যক বুঢ়ীদিহিং-বৰডুমছা অধিৱেশনৰ আদৰণী সমিতিৰ তিনিচুকীয়া কাৰ্যালয়ৰ সভাপতি আছিল। ডিব্ৰুগড়, কলিয়াবৰ, শিৱসাগৰ (শতবৰ্ষীয়), নাৰায়ণপুৰ অসম সাহিত্য সভাৰ অধিৱেশনত প্ৰতিনিধি কৰা চেতিয়াই সদৌ অসম কবি সন্মিলনৰ পানীতোলা শাখাৰ সভাপতি, মহাপুৰুষ শ্ৰী শ্ৰী অনিৰুদ্ধ দেৱ সেৱক সংঘৰ সভাপতি, পানীতোলা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ পৰিচালনা আৰু উন্নয়ন সমিতিৰ সভাপতি(পাঁচ বছৰ) আৰু হাই স্কুল শিক্ষান্ত পৰীক্ষাৰ পানীতোলা কেন্দ্ৰৰ কেইবা বছৰো সভাপতি হিচাপে দায়িত্ব পালন কৰিছিল। আঠখনকৈ স্মৃতি গ্ৰন্থ, আলোচনী সম্পাদনা কৰা চেতিয়াই নৱম শ্ৰেণীত অধ্যয়নৰত অৱস্থাতে পানীতোলা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ছপা আলোচনী "নৱজাগৰণ"(১৯৬৭) সম্পাদনা কৰিছিল। সদৌ অসম মটক সন্মিলনৰ বাৰ্তালোচনী ' 'মুক্তিদূত " ৰ দুবছৰীয়া কাৰ্যকালৰ সম্পাদক লম্বেশ্বৰ চেতিয়াৰ সাহিত্যৰাজি এনেধৰণৰ : কবিতা পুথি- চেচুঁৰনি বিল (২০১১), ঈশ্বৰক লগ পোৱা হ'লে (২০১৩), সোণালী ৰঙৰ পথাৰখন (২০১৪), গৰখীয়া বাঁহীৰ লহৰত নাঙলৰ শিৰলুত ফুলে হাজাৰ পাহি ফুল (২০১৪), বৰষুণৰ বাঁহী (২০১৫), আকাশ ভালপোৱা আদি (২০১৮), সোণালী ফুল (২০২২)। প্ৰবন্ধ পুথি- শিক্ষা সমাজ সংস্কৃতি (২০১১), ভাষা, সাহিত্য-সংস্কৃতি (২০১৪), সাহিত্য আৰু জীৱন (২০১৪), ভিন্ন দফা (২০১৬), প্ৰবন্ধ মঞ্জুষা (২০১৯), আয়ুস ৰেখা (২০২২), মটক জনগোষ্ঠীৰ প্ৰচলিত শব্দশৈলী আৰু মটক (২০২৪)। চুটি গল্প পুথি- আধা জুলা ধূপ (২০২১)। বিশিষ্ট চিন্তাবিদ, সমাজসেৱক লম্বেশ্বৰ চেতিয়াৰ দৰে কৃতবিদ্য সাহিত্যিক জিলা সাহিত্য সভাৰ সভাপতি হিচাপে নিৰ্বাচিত হোৱাত সকলোৱে সন্তুষ্টি ব্যক্ত কৰিছে।

# কোকৰাঝাৰত দুৰ্ঘটনা, থিতাতে নিহত যুৱক

**ই-সংবাদ, কোকৰাঝাৰ, ১৬ ডিচেম্বৰঃ** কোকৰাঝাৰ জিলাৰ ফকিৰাগ্ৰাম থানাৰ অন্তৰ্গত ময়নাগুড়ীত আজি কাহিলীপুৱা প্ৰায় ৪ বজাত সংঘটিত হোৱা এক ভয়াৱহ পথ দুৰ্ঘটনাৰ ফলত দোতমা বজ্ৰখালৰ ৰত্নেশ্বৰ সূত্ৰধাৰৰ পুত্ৰ ধৰেন সূত্ৰধাৰ (২২) থিতাতে নিহত হয়। প্ৰাপ্ত বাতৰি অনুসৰি এএছ ১৬ এম ৪৫৭৩ নম্বৰৰ হোণ্ডা মটৰচাইকেলেৰে ধৰেন সূত্ৰধাৰে এজন আৰোহীক লৈ শালটাৰী গাঁৱৰ পৰা বিয়া খাই উভতি আহোতে উক্ত দুৰ্ঘটনাটো সংঘটিত হয়। তীব্ৰ গতিৰে চলোৱা মটৰচাইকেলখনে ময়নাগুৰী তিনিআলিৰ জিৰণি চৰাত খুন্দা মাৰে আৰু যাৰ পৰিণতিত চালকৰ আসনত থকা ধৰেন সূত্ৰধাৰ থিতাতে নিহত হয়। আনহাতে মটৰচাইকেল আৰোহী ভৰত সূত্ৰধাৰ (২২, দেৱৰগাঁও অনুজুলি) দৈব্যক্ৰমে ৰক্ষা পৰে। ইপিনে আজি পুৱা ৮ মান বজাত আন এক পথ  দুৰ্ঘটনাত ফকিৰাগ্ৰাম থানাৰ অন্তৰ্গত চোকাপাৰা , শক্তিআশ্ৰম নিৱাসী আব্দুল জব্বৰৰ পুত্ৰ কালাম আকন্দ(২২) গুৰুতৰভাৱে আহত হয়। কালাম আকন্দে শক্তিআশ্ৰমৰ পৰা ফকিৰাগ্ৰাম অভিমুখে মটৰচাইকেলেৰে (নং এএচ ১৬ এল, ৯৩৮১) আহি থাকোতে মোনাকোচা তিনালীত এখন মহিন্দ্ৰা পিকআপ ভেনে (নং এএচ ১৬ চি, ৫৬৬২) কালাম আকন্দক খুন্দা মাৰে আৰু যাৰ পৰিণতিতত তেওঁ গুৰুতৰভাৱে আহত হয়। দুৰ্ঘটনা সংঘটিত কৰিয়ে মহিন্দ্ৰা পিকআপ ভেনৰ চালকজন পলাই যায়। গুৰুতৰভাৱে আহত কালামক চিকিৎসালয়ত ভৰ্তি কৰোৱা হৈছে।

# বৰমুৰাত সমূহীয়া ভৱনৰ আধাৰশিলা



**ই-সংবাদ, ৰঙিয়া, ১৬ ডিচেম্বৰঃ** ৰঙিয়াৰ বৰমুৰা খানাপাৰা চুবুৰীস্থিত নামঘৰ প্ৰাংগণত অসম অনুসুচিত জাতি কল্যাণ সঞ্চালকৰ জৰিয়তে আগবঢ়োৱা অনুদানেৰে এটি সমূহীয়া ভৱনৰ আজি আধাৰশিলা স্থাপন কৰা হয়। এই উপলক্ষে আয়োজিত গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত আধাৰশিলা স্থাপন কৰে মহকুমা অনুসুচিত জাতি উন্নয়ন ব'ৰ্ডৰ অধ্যক্ষ যাদৱ বৰুৱা আৰু সন্মানীয় সদস্য ৰিংকু বৈশ্যই। অজান বৈশ্যই আঁত ধৰা অনুষ্ঠানত গোলোক বৈশ্য, সমীন্দ্ৰনাথ বৈশ্য, তৰুণ চন্দ্ৰ বৈশ্য, অমূল্য বৈশ্য প্ৰমুখ্যে গাঁও উন্নয়ন সমিতিৰ বিষয়ববীয়াসকলে ভাষণ ৰাখে। গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত স্থানীয় ধৰ্মপ্ৰাণ ৰাইজ উপস্থিত থাকে।

# কামপুৰত পানী টেংকীৰ পৰা পৰি শ্ৰমিকৰ মৃত্যু

**ই-সংবাদ, কামপুৰ, ১৬ ডিচেম্বৰঃ** কামপুৰৰ মীনাৰপামত আজি বিয়লি সংঘটিত হয় এক অঘটন। জনস্বাস্থ্য কাৰিকৰী বিভাগৰ দ্বাৰা গাঁওখনত নতুনকৈ নিৰ্মাণ কৰি থকা পানী টেংকীৰ ওপৰলৈ ড্ৰাম উঠাই থকাৰ সময়তে আকস্মিকভাৱে জখলাৰ এডাল বাঁহ ভাঙি যায়। বাঁহ ভাঙি যোৱাৰ ফলত টেংকীৰ ওপৰৰ পৰা তললৈ সৰি পৰি এজন লোকৰ মৃত্যু হয়। মৃত লোকজন মীনাৰপাম গাঁৱৰ জামাল উদ্দিন(৫০) বুলি চিনাক্ত। ঘটনাস্থলীত কামপুৰ আৰক্ষী উপস্থিত হৈ মৃতদেহটো মৰণোত্তৰ পৰীক্ষাৰ ব্যৱস্থা কৰে। শ্ৰমিক হিচাপে নিয়োজিত লোকজনৰ কৰুণ মৃত্যুত সমগ্ৰ অঞ্চলটোত শোকৰ ছাঁ পৰে।

# দক্ষিণ বৰপেটা আমছুৰ অধিৱেশনৰ সফল সামৰণি

**ই-সংবাদ, শিমলীতোলা, ১৬ ডিচেম্বৰঃ** চেঙাৰ কাছুমাৰা, আগুভাংগা, মহচৰা বজাৰ খেল পথাৰ প্ৰাংগণত সদৌ অসম ছাত্ৰ ইউনিয়ন (আমছু)ৰ দক্ষিণ বৰপেটা জিলা সমিতিৰ দুদিনীয়া কাৰ্যসূচীৰে আৰম্ভ হোৱা ২০ সংখ্যক বাৰ্ষিক অধিৱেশন দোবাৰে সফল সামৰণি পৰে। প্ৰথম দিনাৰ প্ৰথম কাৰ্যসূচী পতাকা উত্তোলনেৰে আৰম্ভ কৰি শেষৰ দিনাৰ কাৰ্যসূচী দক্ষিণ বৰপেটা জিলা আমছুৰ সভাপতি ৰুহুল আমিনৰ পৌৰোহিত্যত অনুষ্ঠিত হোৱা মুকলি আৰু বঁটা বিতৰণী সভাত মুখ্য অতিথি হিচাপে উপস্থিত থাকে আমছুৰ কেন্দ্ৰীয় সমিতিৰ সভাপতি ৰেজাউল কৰিম সৰকাৰ। আমছুৰ উপদেষ্টা আয়নুদ্দিন আহমেদ, কেন্দ্ৰীয় সমিতিৰ উপ-সভাপতি আব্দুৰ ৰহমান বিশ্বাস, আজিজুল হক জিলা আমছুৰ তত্বাৱধায়ক আবুল কালাম আজাদৰ লগতে ভালেসংখ্যক জিলা আৰু কেন্দ্ৰীয় আমছুৰ প্ৰাক্তন বিষয়ববীয়াসকলৰ উপৰি যথেষ্টসংখ্যক সন্মানীয়, বিশিষ্ট অতিথি তথা নিৰ্দিষ্ট বক্তা অতিথি হিচাপে উপস্থিত থাকি সামাজিক, শৈক্ষিক দিশত গাম্ভীৰ্যপূৰ্ণ ভাষণ প্ৰদান কৰে। মুকলি সভাত অধিৱেশনৰ লগত সংগতি ৰাখি ছপা কৰি উলিওৱা স্মৃতিগ্ৰন্থ 'সংগ্ৰাম' তৃতীয় সংখ্যা উন্মোচন কৰে আমছুৰ কেন্দ্ৰীয় সমিতিৰ সভাপতি ৰেজাউল কৰিম সৰকাৰে। মুকলি সভাৰ শেষত দক্ষিণ বৰপেটা জিলা সমিতিৰ প্ৰতিনিধিত্বমূলক সাধাৰণ সভা অনুষ্ঠিত হৈ যায়। সভাত জুৰি কমিটীৰ জৰিয়তে ৰুহুল আমিনক সভাপতি আৰু ৰফিকুল ইছলাম আৰু মনোৱাৰ হুছাইনক সাধাৰণ সম্পাদক হিচাপে লৈ শক্তিশালী নতুন সমিতি গঠন কৰি দিয়ে।



তীৰ্থনগৰী হাজোত উখল-মাখল পৰিৱেশ, চৰাই পূজাৰ এটি বিশেষ মুহূৰ্ত, ফটোঃ ই-সংবাদ, হাজো

# চৰাই পূজা, মহোহোক লৈ তীৰ্থনগৰী হাজোত উখল-মাখল পৰিৱেশ

**ই-সংবাদ, হাজো, ১৬ ডিচেম্বৰঃ** অন্যত্ৰ বিৰল চৰাই ব্ৰত পূজাকলৈ তীৰ্থনগৰী হাজোৰ বৃহত্তৰ অঞ্চলত সৃষ্টি হৈছে এক উখল-মাখল পৰিৱেশৰ। আঘোণৰ পূৰ্ণিমাত নামনি অসমৰ অন্যতম লোক-উৎসৱ মহোহো বা মহখেদা উৎসৱৰ পৰম্পৰাৰে সমগ্ৰ হাজোৰ শিশু-কিশোৰ, ডেকা ল'ৰাবোৰে হাতত টাঙোন লৈ গৃহস্তৰ ঘৰে-ঘৰে মহোহো গীত গাই চাউল, নাৰিকল, টকা-পইচা বিচাৰি উথপথপ লগোৱাৰ সমান্তৰালভাৱে হাজোৰ কেইবাটাও অঞ্চলৰ কুমাৰী ছোৱালীবোৰে উলহ-মালহেৰে চৰাই ব্ৰত বা চৰাই পূজা নামৰ অন্য এটি লোক-উৎসৱ পালন কৰে। উল্লেখ্য যে চৰাই ব্ৰত অথবা চৰাই পূজা উপলক্ষে হাজো অঞ্চলৰ কুমাৰী ছোৱালীবোৰে এপযেক পূৰ্বৰে পৰা প্ৰস্তুতি চলায়। অকুমাৰী ছোৱালীবোৰে পথাৰৰ পলসুৱা মাটিৰে সৰু সৰু চৰাই তৈয়াৰ কৰে। মাটিৰে তৈয়াৰী চৰাইবোৰ কেইবাদিন ধৰি ৰ'দত শুকুৱায়। ইয়াৰ পিছতে শুকুৱা চৰাইবোৰত চূণ, পিঠাগুৰি, হালধি, পূৰৈ শাকৰ পকা গুটিৰ ৰস, উৰহী পাতৰ সেউজীয়া ৰং, চিয়াঁহী আদিৰে আটক ধুনীয়াকৈ প্ৰলেপ দিয়ে। এনে বিভিন্ন ৰঙৰ প্ৰলেপত প্ৰাণ পাই উঠা মাটিৰে তৈয়াৰী চৰাইবোৰ বাহৰ শলাত সংলগ্ন কৰি এডোখৰ ঘূৰণীয়া মাটিৰ টিপত গুজি সজাই থৈ দিয়ে। এনেদৰে প্ৰতিষ্ঠা কৰা কাৰ্যক হাজোৰ থলুৱা ভাষাত জুমুৰি বোলে। এনে একোটা জুমুৰিত দহোটা-বাৰটাকৈ মাটিৰে তৈয়াৰী চৰাই সজাই ৰাখে। তদুপৰি এই চৰাইবোৰক প্ৰতিষ্ঠা কৰিবলৈ বাহ, কলপুলি, ৰঙীন কাগজৰ ফুলৰ মালাৰে আটক ধুনীয়াকৈ এটি সৰু মন্দিৰত সজায়। য'ত চৰাইবোৰক ভাগে-ভাগে প্ৰতিষ্ঠা কৰি মাংগলিক ৰীতি-নীতিৰে চাকি-বন্তি, নৈবদ্য ফল-ফুল, তামোল-পাণ আগবঢ়াই ৰঙীন চৰাইবোৰক কুমাৰী ছোৱালীবোৰে পূজা-সেৱা কৰে আৰু এজন ভাল দৰা পোৱাৰ কামনা কৰে। সমগ্ৰ দিনটো উপবাসে থকাৰ অন্তত অকুমাৰী ছোৱালীবোৰে সন্ধিয়া পৰত এই উৎসৱ উলহ-মালহেৰে পালন কৰে। প্ৰতি বছৰৰ আঘোণৰ পূৰ্ণিমাৰ স্নিগ্ধ জোনাকৰ পোহৰত হাজোকে ধৰি ৰামদিয়া, কুলহাটী, ছাত্ৰশালী, মাজৰটোল, হিডালবড়ী, মনাহকুছি, সাতডলা, বাগটা, সোৱনচাহ, অভয়পুৰ, বামুন্দী, ক্ষেত্ৰীহাৰদিয়া অঞ্চলৰ একাংশ কুমাৰী ছোৱালীয়ে থাপনালৈ শোভাযাত্ৰা উলিয়ায়। এই সময়ছোৱাত অকুমাৰী ছোৱালীবোৰে 'অ'চৰে আমিও গেছিলো, অ'চৰে হাজোৰ গোসাঁই চাবা, বাটত বৰহানে পালা চৰে, সুমাবা কাৰ ঘৰে' আদি গীত পুৰণিকলীয়া লোক-সংগীতৰে সমগ্ৰ পৰিৱেশ উখল-মাখল কৰি তোলে। যান্ত্ৰিকতাৰ ধাম-খুমীয়াৰ মাজতো পূৰ্বৰ পৰম্পৰাৰে অনুষ্ঠিত চৰাই ব্ৰত অথবা চৰাই পূজাত এক উখল-মাখল পৰিৱেশৰ সৃষ্টি হয়।




newsnextone.comৰ হৈ গুৱাহাটীৰ পৰা অনলাইনযোগে ছফি জামালৰ দ্বাৰা প্ৰকাশিত, ই-মেইলঃ newsnextne@gmail.com, যোগাযোগ/হোৱাটছএপ নম্বৰঃ ৯৩৬৫২২৫২৪৮, কাৰ্যালয়ঃ জ্যোতিনগৰ, বামুণীমৈদাম (বা-বাতৰিৰ বাবে বাৰ্তা সম্পাদক দায়বদ্ধ)
কাৰ্যবাহী সম্পাদক
ধ্ৰুৱজ্যোতি ধনন্তৰি